

# স্মৃতি গ্ৰন্থ ❀ SOUVENIR

ইউনাটেড্ ষ্টুডেণ্টচ্ ফেডাৰেচন (ইউ, এছ, এফ)ৰ
অসম ৰাজ্যিক অভিবৰ্ত্তন

২৭-২৮ ফেব্ৰুৱাৰী, ১৯৭৯, গোলাঘাট, অসম

## Assam State Convention of United Students' Federation

27th 28 th February '79 : Golaghat, Assam

OKDISCD

প্ৰতি
কমৰেড- সুবৰ্ণলতা তামুলী ফুকনৰ
জৰিয়তে লংকা ইউনাইটেড্ ষ্টুডেণ্টচ্
ফেডাৰেচনৰ সমুহ কৰ্মীলৈ

# স্মৃতিগ্ৰন্থ

ইউনাইটেড্ ষ্টুডেণ্টচ্ ফেডাৰেচন (ইউ, এচ্, এফ)ৰ

অসম ৰাজ্যিক অভিবৰ্ত্তন

২৭-২৮ ফেব্ৰুৱাৰী, ১৯৭৯, গোলাঘাট, অসম

প্ৰতি
কমৰেড সুবৰ্ণলতা তামু
ফুকনৰ

OKDISCD

## Assam State Convention of United Students' Federation

27th 28 th February '79 : Golaghat, Assam

## ॥ সূচী ॥


১। ইউনাইটেড ষ্টুডেন্টচ্ ফেডাৰেচনৰ কৰ্মসুচী-৪

২। ইউ-এছ-এফ অসম ৰাজ্যিক তদৰ্থ কমিটিৰ যুটীয়া অহবায়কৰ চমু প্ৰতিবেদন— ৮

৩। ৪ মে'ৰ আন্দোলন ॥ মাও চেটুঙ— ৯

৪। অসমৰ সাম্প্ৰতিক ছাত্ৰ আন্দোলন— ১১

৫। কিতাপ সম্পৰ্কে ॥ মাক্সিম গৰ্কী— ১৮

৬। Women in our Society : Gayatri— 20


OKDISCD

ভাৰতবৰ্ষৰ নিষ্পেষিত

জনগণৰ মুক্তিৰ হকে

সাম্ৰাজ্যবাদ সামন্তবাদ-বিৰোধী

সংগ্ৰামত বীৰত্বপূৰ্ণ

ভূমিকা লৈ প্ৰাণ আহুতি দিয়া

মাতৃভূমিৰ সুযোগ্য

সন্তান সকলক

শ্ৰদ্ধাৰে সুঁৱৰিছো

OKDISCD

# ইউনাইটেড ষ্টুডেণ্টচ্ ফেডাৰেচন ( U.S.F. )ৰ

# কৰ্মসূচী (খচৰা)

ষাঠি কোটিৰো অধিক জনগণৰ বাসস্থান আমাৰ অতি প্ৰিয় মাতৃভূমি ভাৰতবৰ্ষ বিশ্ব সভ্যতাৰ অতি প্ৰাচীন সভ্যতাৰে পৰিপুষ্ট এখন অতি বৃহৎ দেশ। ভাৰতীয় জনগণ স্বাধীনতা প্ৰিয়, কৰ্মঠ আৰু প্ৰতিভা সম্পন্ন। ভাৰতৰ ইতিহাস ভাৰতীয় জনগণৰ বিপ্লৱী সংগ্ৰামৰ পৰম্পৰাৰ ইতিহাস।

ওঠৰ শতাব্দীৰ আৰম্ভণিৰে পৰা ভাৰতবৰ্ষত পৰ্টুগীজ, ওলন্দাজ, ফৰাচী আৰু ইংৰাজ সাম্ৰাজ্যবাদী শক্তিয়ে বেপাৰীৰ সাজেৰে পদাপৰ্ণ কৰেহি। সেই সময়ৰ দেশৰ ক্ষুদ্ৰ ক্ষুদ্ৰ সামন্তবাদী নৃপতিবোৰৰ খোৱাকামোৰাৰ সুযোগ লৈ বৃটিছ সাম্ৰাজ্যবাদী শক্তিয়ে প্ৰায় এশ বছৰৰ ভিতৰত সমগ্ৰ ভাৰতবৰ্ষ দখল কৰি ইয়াক এখন উপনিবেশলৈ পৰিৱৰ্ত্তিত কৰে। বৃটিছ সাম্ৰাজ্যবাদীহঁতে পুৰণা ভাৰতীয় সামন্ততান্ত্ৰিক সমাজৰ গৰ্ভত জন্ম লাভ কৰা নতুন উৎপাদিকা শক্তিসমূহ এফালেদি ধ্বংস কৰে আৰু আনফালেদি ইয়াৰ পুৰণা ঐতিহ্য ম্লান কৰি তুলিবলৈ উঠি পৰি লাগে। সিহঁতে বিভিন্ন অৰ্থনৈতিক আৰু প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণৰ মাধ্যমেৰে ভাৰতবৰ্ষত এচাম দালাল পুঁজিপতি আৰু নতুন জমিদাৰ শ্ৰেণীৰ সৃষ্টি কৰে। এই শ্ৰেণী দুটাই আছিল সিহঁতৰ শাসনৰ সামাজিক ভেঁটি। আনহাতেদি, সাম্ৰাজ্যবাদৰ স্বাৰ্থ ৰক্ষা কৰিবৰ বাবে সিহঁতেই সৃষ্টি কৰিছিল এচাম বহতীয়া শ্ৰেণীৰ বুদ্ধিজীৱী। ইয়াৰ ফলত ভাৰতৰ আৰ্থ-সামাজিক ব্যৱস্থাই এক আধা-সামন্ততান্ত্ৰিক আধা-ঔপনিবেশিক চৰিত্ৰ গ্ৰহণ কৰিলে। ঔপনিবেশিক শোষণৰ কাল-ছোৱাত বৃটিছ সাম্ৰাজ্যবাদীহঁতে ভাৰতবৰ্ষৰ আমূল শিল্পায়ন কৰা নাছিল আৰু যিবোৰ শিল্প দেশৰ মুষ্টিমেয় অঞ্চল কেইটামানত সাম্ৰাজ্যবাদীহঁতে নিজৰ স্বাৰ্থতেই গঢ়ি তুলিব লগা হৈছিল সিয়ো আছিল আঙুলিৰ মূৰত গণিব পৰা। নৱজাত দেশীয় পুঁজিপতি শ্ৰেণীৰ অৰ্থনৈতিক ভেঁটি আছিল অতিশয় দুৰ্ব্বল। সাম্ৰাজ্যবাদী শোষণৰ সহায়ক অত্যাচাৰী ভূমি ব্যৱস্থাৰ অধীনত সাম্ৰাজ্যবাদীহঁতে জীয়াই ৰখা আৰু নতুনকৈ সৃষ্টি কৰা জমিদাৰ-মাটিগিৰী-মহাজন শ্ৰেণীৰ বৰ্বৰ সামন্তবাদী শোষণত দেশৰ বৃহত্তৰ খেতিয়ক জনগণ হৈ পৰিছিল কঙাল। দেশৰ আভ্যন্তৰীণ বজাৰ বিস্তৃত আৰু একীভূত কৰিব পৰাকৈ কৃষিৰ বিকাশ কোনো দিনেই হোৱা নাছিল। সাম্ৰাজ্যবাদৰ বহতীয়া স্বল্প পৰিসৰৰ উদ্যোগ আৰু বাণিজ্য, সিহঁতৰেই স্বাৰ্থৰক্ষাকাৰী জমিদাৰ মহাজন আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ দেশীয় নৃপতি ইত্যাদি সামন্তবাদী প্ৰতিভূহঁতৰ দখলত থকা অনগ্ৰসৰ কৃষি আৰু সাম্ৰাজ্যবাদী বৃহৎ শিল্পৰ হেচাঁত ককাল পৰি অহা গ্ৰামকেন্দ্ৰিক পতনোন্মুখ হস্ত শিল্প—ইয়েই আছিল বৃটিছ শাসিত ঔপনিবেশিক আধা-সামন্ততান্ত্ৰিক

OKDISCD

ভাৰতবৰ্ষৰ অৰ্থনীতিৰ আধাৰ।

বৃটিছ সাম্ৰাজ্যবাদৰ ঔপনিবেশিক শাসনৰ আৰম্ভণিৰে পৰা ভাৰতীয় জনগণৰ ইতিহাস সাম্ৰাজ্যবাদ আৰু সামন্তবাদ বিৰোধী সংগ্ৰামৰ ইতিহাস। এই সময়ছোৱাত ভাৰতৰ চুকে কোণে গঢ় লৈ উঠা বিভিন্ন সময়ৰ কৃষক বিদ্ৰোহ সমূহে সাম্ৰাজ্যবাদৰ ওপৰত হানিছিল অলেখ আঘাত। ওঠৰ শ সাতাৱন্ন চনৰ ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামত কৃষক জনগণেও বিদ্ৰোহী সৈন্যসকলৰ কান্ধত কান্ধ মিলাই যুঁজিছিল আৰু এই জাতীয় মুক্তিৰ সংগ্ৰামক দেশৰ বহু অঞ্চলত বিয়পাই দিবলৈ সক্ষম হৈছিল। এই সংগ্ৰামে যদিও সাম্ৰাজ্যবাদী শাসনৰ ভেঁটি কঁপাই তুলিছিল তথাপি বিজ্ঞানভিত্তিক তত্ত্ব আৰু বিপ্লৱী নেতৃত্বৰ অভাৱত ই ভাৰতৰ সমগ্ৰ জনগণক একত্ৰিত কৰি বিজয় অৰ্জনৰ পিনে আগবঢ়াই নিব নোৱাৰিলে। অৱশ্যে পৰাজয় স্বীকাৰ কৰিব লগা হলেও এই সংগ্ৰাম সমূহে ভাৰতীয় জনগণক সংগ্ৰামী অভিজ্ঞতাৰে অভিজ্ঞ কৰি তুলিলে। দেশৰ বৃহত্তৰ কৃষক শ্ৰমিক-মধ্যবিত্ত ছাত্ৰ আৰু দেশীয় পুঁজিপতিয়ে দিনে দিনে এই সাম্ৰাজ্যবাদ আৰু সামন্তবাদ বিৰোধী সংগ্ৰাম তীব্ৰতৰ কৰি আনিলে। এই ৰাজনৈতিক সংগ্ৰামৰ প্ৰচণ্ড ঢৌৱে কঁপাই তুলিলে সাম্ৰাজ্যবাদী শোষণৰ ভেঁটি। ভাৰতৰ সমগ্ৰ জনগণে জাতীয় মুক্তিৰ বাবে কৰা এই বীৰত্বপূৰ্ণ সংগ্ৰামৰ কালছোৱাত জনগণৰ সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ যোগেদি সচেতনভাবে বিকশিত হৈ উঠিছিল এক মহান জাতীয় ঐক্য। সংগ্ৰামী জনগণৰ এই মহান ঐক্যই ভাৰতত সাম্ৰাজ্যবাদৰ স্বাৰ্থক কবৰ দিব বুলি আতঙ্কিত হৈ সিহঁতৰ স্বাৰ্থৰক্ষাকাৰী বৃহৎ দালাল পুঁজিপতি, বৃহৎ জমিদাৰ, আৰু বহতীয়া বুদ্ধিজীৱীবোৰক এই সংগ্ৰামৰ নেতৃত্ব দখল কৰিবলৈ উপদেশ দিয়ে। আৰু পিছত সিহঁতৰ শোষণ ব্যৱস্থাক নতুন ৰূপত সজাই পৰাই লৈ এই প্ৰতিক্ৰিয়াশীল নেতৃত্বৰ লগত ৰাইজে দেখাকৈ আপোচ কৰিলে। তাৰফলস্বৰূপেই, উনৈশ শ সাতচল্লিশ চনৰ পোন্ধৰ আগষ্টৰ দিনা ভাৰতবৰ্ষই পালে তথাকথিত স্বাধীনতা!

এই 'ক্ষমতা হস্তান্তৰৰ' ফলত ভাৰতৰ ৰাষ্ট্ৰযন্ত্ৰৰ 'ৰাজনৈতিক' ক্ষমতা বগা ছালৰ ঔপনিবেশিক শাসনৰ হাতৰ পৰা হস্তান্তৰিত কৰি সিহঁতৰেই স্বাৰ্থৰক্ষাকাৰী দেশীয় শাসক গোষ্ঠীৰ হাতত দিয়া হ'ল। আনহাতেদি, এই তথাকথিত 'স্বাধীনতা' অৰ্জনৰ পিছতো ভাৰতবৰ্ষৰ অৰ্থনীতি মূলত একেই থাকিল। ইতিহাসে প্ৰমাণিত কৰিছে যে এখন সমাজৰ ভেঁটি হ'ল তাৰ বিশেষ অৰ্থনীতি আৰু ৰাজনীতি হ'ল সেই অৰ্থনীতিৰেই উপৰিসৌধ মাথোন। সাম্ৰাজ্যবাদৰ স্বাৰ্থত দেশৰ বৃহত্তৰ গ্ৰামাঞ্চলত আজিও জীয়াই ৰখা হৈছে জমিদাৰী-মহাজনী শোষণক। এই শোষণৰ মূল ৰূপ হ'ল অৰ্থনীতি বহিৰ্ভূত শোষণ। ভাৰতৰ ভূমিব্যৱস্থা আজিও মূলতঃ ঔপনিবেশিক ভাৰতবৰ্ষৰ আধা-সামন্ততান্ত্ৰিক ব্যৱস্থাৰ দৰেই। ইয়াক জীয়াই ৰখাৰ একমাত্ৰ উদ্দেশ্য হ'ল — ভাৰতবৰ্ষত যাতে সামন্তবাদক ধ্বংস কৰি দেশীয় পুঁজিবাদে বিকাশ লাভ কৰিব নোৱাৰে। কাৰণ দেশীয় পুঁজিবাদে বিকাশ লাভ কৰিলে ই অৰ্থনীতিৰ অনিবাৰ্য্য নিয়ম অনুযায়ী সাম্ৰাজ্যবাদক ভাৰতৰ বুকুৰ পৰা নিঃচিহ্ন কৰিবই। আনহাতেদি, শিল্পায়ণৰ ক্ষেত্ৰত ভাৰতবৰ্ষত বাৰেবৰণীয়া সাম্ৰাজ্যবাদী শক্তিয়ে বিৰলা, টাটা, ডালমিয়া, দাগা, গোৱেঙ্কা, মুদালিয়া, মফতলাল, মহিন্দৰ মহিন্দৰ আদি এচাম বৃহৎ দালাল পুঁজিপতি শ্ৰেণীৰ সৃষ্টি কৰিলে। সেয়েহে আজি ভাৰতীয় অৰ্থনীতিত আমি দেখিবলৈ পাইছো বিভিন্ন সাম্ৰাজ্যবাদী শক্তি আৰু 'সমাজবাদৰ' মুখাপিন্ধা এচাম সাম্ৰাজ্যবাদী শক্তি আৰু সিহঁতৰ দালাল বৃহৎ ভাৰতীয় পুঁজিপতি আৰু উচ্চ স্তৰৰ আমোলাৰ স্বাৰ্থত গঢ়ি উঠা তথাকথিত 'ব্যক্তিগত' আৰু 'সামুহিক' খণ্ডৰ উদ্যোগ সমূহ। এনেকৈয়ে, তথাকথিত স্বাধীনতা লাভৰ পিছৰে পৰাই ভাৰতৰ ৰাষ্ট্ৰচৰিত্ৰই তাৰ পূৰ্ব্বৰ 'ঔপনিবেশিক' ৰূপ সলাই সাম্ৰাজ্যবাদীহঁতৰ স্বাৰ্থতেই

OKDISCD

আধা ঔপনিবেশিক ৰূপ লৈছে আৰু এই আৰ্থ-সামাজিক পৰিস্থিতিয়ে বৰ্ত্তমান ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক ব্যৱস্থাক অনিবাৰ্য্যভাৱেই আধা ঔপনিবেশিক আধা সামন্ততান্ত্ৰিক ৰূপ দিছে।

এই অৰ্থনীতি বিদেশী বৃহৎ একচেটিয়া পুঁজিপতি আৰু বৃহৎ আমোলাতান্ত্ৰিক একচেটিয়া পুঁজিপতিৰ হেজাৰ নিয়ন্ত্ৰণ মানি, বিদেশী পুঁজিপতি আৰু সিহঁতৰ ভাৰতীয় দালালবোৰৰ চাহিদা অনুযায়ী চালিত হৈ আছে । বিদেশী শোষকহঁতে ভাৰতৰ লগত বৈষম্যমুলক বাণিজ্য চলাই, প্ৰযুক্তি বিদ্যা, ঔদ্যোগীক পৰিচালনা বৈজ্ঞানিক উদ্ভাৱন আৰু আৱিস্কাৰ ইত্যাদিত নিজৰ অগ্ৰসৰতাৰ গইনা লৈ ভাৰতৰ জনগণৰ ওপৰত চলাইছে নিৰ্মম শোষণ। এই বিদেশী শোষকহঁতে ভাৰতৰ ৰাষ্ট্ৰব্যৱস্থা, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ আহে আহে সিহঁতৰ স্বাৰ্থ ৰক্ষা কৰা তত্ব আৰু দালাল ৰোপণ কৰি "স্বাধীনতা"ৰ আঁৰবেৰৰ সিপাৰৰ পৰা আমাৰ দেশৰ সাৰ্ব্বভৌমত্বক কৌশলেৰে নিয়ন্ত্ৰণ কৰিছে। লগতে এই যৎকিঞ্চিত 'সাৰ্ব্বভৌমত্ব'ও ধ্বংস কৰি দিয়াৰ চেষ্টা সিহঁতে এৰা নাই। ৰাজনৈতিক অৰ্থনৈতিক আৰু সামৰিক খণ্ডত সাম্ৰাজ্যবাদী শক্তিবোৰৰ এটাই আনটোৰ প্ৰভাৱ হ্ৰাস কৰি নিজৰ একক আধিপত্য স্থাপন কৰিবলৈ প্ৰচণ্ড আঁৰিয়া অৰিত লিপ্ত হৈছে।

বিদেশী শোষকহঁতে ভাৰতীয় জনগণৰ ওপৰত চলোৱা এই জঘণ্য শোষণক সিহঁতৰ দালাল দেশীয় শোষকহঁতে অনুমোদন জনাই আহিছে কিয়নো বিদেশী শোষকহঁতৰ সহায় অবিহনে সিহঁতে নিজেই বৰ্ত্তি থাকিব নোৱাৰে। বিদেশী লুন্ঠন আৰু দেশীয় শোষণৰ বাবে ভাৰতবৰ্ষত দেশীয় পুঁজিয়ে গঢ় লৈ উঠিব পৰা নাই। যি যৎকিঞ্চিৎ শিল্পোদ্যোগে সাম্ৰাজ্যবাদ আৰু সিহঁতৰ দালালবোৰৰ স্বাৰ্থত আৰু অলপ অচৰণ দেশীয় পুঁজিপতিৰ স্বাৰ্থত গঢ় লৈ উঠিছে সিও কেন্দ্ৰীভূত হৈ আছে ভাৰতবৰ্ষৰ কেইথনমান মহানগৰীৰৰ আশে পাশে। ইয়াৰ একমাত্ৰ কাৰণ হ'ল এখন আধা-ঔপনিবেশিক, আধাসামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ অসম বিকাশ। উদাহৰণ স্বৰূপে, অসমতে আমি দেখিবলৈ পাইছো উদ্যোগীকৰণৰ বিপুল প্ৰাকৃতিক সম্ভাৱনা অথচ বাস্তৱ ক্ষেত্ৰত শিল্পোদ্যোগৰ বিৰাট অভাৱ।

ইয়াৰ উপৰিও আমাৰ সমাজ মধ্যযুগীয় বিচ্ছিন্নতা অনগ্ৰসৰ কৃষি, জাতিভেদ, সাম্প্ৰদায়িকতা আদি শোষক গোষ্ঠীৰ চক্ৰান্তৰ জালত সম্পূৰ্ণৰূপে বান্ধ খোৱা। আৰু এই বিভেদৰ নীতিয়ে জনগণৰ মহান ঐক্যক বিনষ্ট কৰিছে।

বিশ্ব সভ্যতাৰ ভাল ভাল উপাদানসমূহ গ্ৰহণ কৰি ভাৰতীয় জনসাধাৰণৰ মহান গণ-সংস্কৃতিক গঢ়ি তোলাৰ পৰিবৰ্তে পশ্চিমীয়া সভ্যতাৰ অশালীন দিশবোৰৰ কুৰুচিপূৰ্ণ অনুকৰণ, ক্ষয়িষ্ণু দৃষ্টিভঙ্গী আৰু তৰল মানসিকতাক সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ সেৱাদাসবোৰে বিভিন্ন কৌশলেৰে সমাজত প্ৰতিষ্ঠা কৰিবলৈ উঠি পৰি লাগিছে।

ফলত আমাৰ অতি প্ৰিয় মাতৃভূমি ভাৰতবৰ্ষৰ সাধাৰণ মানুহৰ জীৱন আজি বিভিন্ন সমস্যাত জৰ্জ্জৰিত। ভাৰতবৰ্ষৰ বেছিভাগ মানুহৰ আজি খাবলৈ নাই—গাঁৱত খেতিয়কৰ হাতত মাটি নাই, কলকাৰখানাত শ্ৰমিকসকল জীৱিকা নিৰ্ব্বাহৰ নুন্যতম মজুৰীৰ পৰা বঞ্চিত, মধ্যবিত্তৰ আগত ভৱিষ্যত জীৱনৰ কোনো আশাপ্ৰদ ছবি নাই, শিক্ষিত, অশিক্ষিত লক্ষ লক্ষ কৰ্ম্মক্ষম যুৱক আজি নিবনুৱা। অথচ এই ভাৰতবৰ্ষতেই কৃত্ৰিম উপগ্ৰহ উৎক্ষেপিত হৈছে, পাৰমানৱিক বিস্ফোৰণো ঘটাইছে। কলকাৰখানা আৰু খেতিপথাৰত অগণিত শ্ৰমিক কৃষকে দেহাৰ তেজ পানী কৰি শ্ৰম কৰি আছে। এফালেদি কোটি কোটি শ্ৰমিক-কৃষক মধ্যবিত্ত জনসাধাৰণে সীমাহীন দাৰিদ্ৰ্য চিকিৎসাহীনতা, বেকাৰত্ব, অশিক্ষা, কুশিক্ষা আদিত ভুগি ভুগি ক্ৰমে ধ্বংসৰ পিনে গৈ আছে। অইনফালে এমুঠি জমিদাৰ মহাজন আৰু দালাল পুঁজিপতিয়ে তেওঁলোকৰ ধনৰ ভঁড়াল বঢ়াই গৈ

OKDISCD

আছে শ্ৰমিক কৃষকৰ তেজৰ বিনিময়ত।

ভাৰতবৰ্ষ তথা অসমৰ ছাত্ৰসমাজ দেশখনৰ বৃহত্তৰ সমাজখনৰেই এটা অবিচ্ছেদ্য অংশ আৰু সেইবাবেই আজিৰ সমাজৰ প্ৰত্যেকটোৱেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে তেওঁলোকৰেই সমস্যা। দেশৰ ছাত্ৰসমাজৰ মৌলিক সমস্যাসমূহৰ সমাধান হবলৈ হ'লে দেশৰ বৃহত্তৰ শ্ৰমিক কৃষক মধ্যবিত্তৰ সমস্যাসমূহো সমাধান হ'ব লাগিব। সমাজৰ উৎপাদন পদ্ধতি আৰু শ্ৰম সম্পৰ্কৰ পৰিবৰ্ত্তন নোহোৱাকৈ এই সমস্যাবোৰৰ সমাধান সম্ভৱ নহয়। শ্ৰেণী অৱস্থানৰ ফালৰ পৰা একমাত্ৰ ছাত্ৰযুৱকসকলেই নিস্বাৰ্থভাৱে প্ৰকৃত দেশপ্ৰেমিক আৰু গণতান্ত্ৰিক যোদ্ধাৰ সাজেৰে সজ্জিত হৈ আত্মসুখ বলিদান দি সংগ্ৰাম কৰিবলৈ সদায় সাজু। আজি ভাৰতবৰ্ষৰ জনগণৰ মৌলিক সমস্যাসমূহ সমাধানৰ বাবে প্ৰয়োজন এক তীব্ৰ দেশপ্ৰেমিক আৰু গণতান্ত্ৰিক সংগ্ৰামৰ। আজিৰ পৰিস্থিতিত ভাৰত তথা অসমৰ ছাত্ৰ সকলে জনগণৰ মৌলিক সমস্যাবোৰৰ সমাধান কৰি এখন সমৃদ্ধিশালী গৌৰৱময়, জনগণৰ ভাৰতবৰ্ষ গঢ়ি তুলিবলৈ শোষিত জনগণৰ অন্যান্য অংশৰ লগত ঐক্যবদ্ধ হৈ চেতন প্ৰচেষ্টা চলাব লাগিব আৰু তাৰ বাবেই ন্যায়নীতিত সুদৃঢ় সংগ্ৰাম তথা ব্যাপক দেশপ্ৰেমিক আৰু গণতান্ত্ৰিক ছাত্ৰক ঐক্যবদ্ধ কৰিব পৰা এটা শক্তিশালী ছাত্ৰসংগঠনৰ খুবেই প্ৰয়োজন। আমাৰ দেশত ইতিমধ্যেই থকা ছাত্ৰ-সংগঠনবোৰৰ এটায়ো বৰ্ত্তমান আৰ্থসামাজিক ব্যৱস্থাৰ সঠিক মূল্যায়ণৰ ভিত্তিত গঢ়ি নুঠা বাবে আৰু বিভেদকামী গোষ্ঠী-সংকীৰ্ণতাবাদী মনোভাৱৰ বাবে ব্যাপক ছাত্ৰক সংঘবদ্ধ কৰিব নোৱাৰে। এই বাস্তৱ অৱস্থা উপলব্ধি কৰি সমস্ত দেশপ্ৰেমিক আৰু গণতান্ত্ৰিক ছাত্ৰক ঐক্যবদ্ধ কৰি জনসাধাৰণ তথা ছাত্ৰসমাজৰ ন্যায়-অধিকাৰৰ সংগ্ৰামক আগুৱাই নিবলৈ এটা সুস্থ সংস্কৃতি আৰু সমৃদ্ধিৰ ভৱিষ্যতৰ বাবে আমি 'ইউনাইটেড ষ্টুডেণ্টচ্ ফেডাৰেচন' গঢ়ি তুলিছো।

# কৰ্মসূচী

১। আমাৰ প্ৰিয় মাতৃভূমিৰ ওপৰত যিকোনো বিদেশী হস্তক্ষেপ আৰু লুণ্ঠনৰ প্ৰতিবাদ কৰা, তাৰ বিৰুদ্ধে প্ৰচাৰ কৰা আৰু আন্দোলন গঢ়ি তোলা।

২। দেশ-বিদেশৰ যিকোনো ন্যায় সংগ্ৰামৰ সপক্ষে থিয় দি তেওঁলোকৰ সমৰ্থনত প্ৰচাৰ কৰা আৰু আন্দোলন গঢ়ি তোলা।

৩। জীৱনৰ যিকোনো সমস্যা সমাধানৰ বাবে আমাৰ দেশৰ ব্যাপক নিৰ্য্যাতিত মানুহৰ স্বাৰ্থত পৰিচালিত সকলো আন্দোলনত চামিল হোৱা আৰু তাৰ সমৰ্থনত প্ৰচাৰ আন্দোলন গঢ়ি তোলা।

৪। বিশাল সংখ্যাগৰিষ্ঠ জনসাধাৰণৰ প্ৰগতিত সহায় নকৰা দেশৰ বৰ্ত্তমানৰ ঔপনিবেশিক শিক্ষা-ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন আৰু জনসাধাৰণৰ সকলো অংশৰ বাবে শিক্ষা লাভৰ সুযোগ দানৰ নিমিত্তে সংগ্ৰাম কৰা আৰু শিক্ষা সংস্কাৰৰ নামত ছাত্ৰসকলক গিনিপিগৰ দৰে ব্যৱহাৰ কৰাৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তোলা।

৫। সকলো কৰ্মক্ষম মানুহৰ উপযুক্ত কামৰ অধিকাৰক সাংবিধানিক স্বীকৃতি দিয়াৰ বাবে আন্দোলন গঢ়ি তোলা।

৬। ছাত্ৰ-যুৱক-শিক্ষক-কৰ্মচাৰী-অভিভাৱক জন-স্বাৰ্থসন্মত ঐক্য গঢ়ি তোলা আৰু তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে আন্দোলন গঢ়ি তোলা।

৭। জনগণৰ গণতান্ত্ৰিক অধিকাৰৰ ওপৰত যি কোনো আক্ৰমণৰ বিৰুদ্ধে থিয় দিয়া আৰু মতামত প্ৰচাৰৰ স্বাধীনতা খৰ্ব হ'লে তাৰ বিৰুদ্ধে আন্দোলন গঢ়িতোলা।

৮। জনসাধাৰণৰ স্বাৰ্থত গঢ়ি উঠা স্থানীয় আন্দোলনত চামিল হোৱা আৰু স্থানীয় দাবীৰ ভিত্তিত জনসাধাৰণৰ সংগ্ৰাম গঢ়ি তোলা।

৯। অসমৰ শিল্পোন্নয়নৰ অন্তৰায়সমূহ দূৰ কৰিবলৈ দেশপ্ৰেমিক লোকক শিল্পোন্নয়নৰ বাবে সুবিধা দান কৰিবলৈ আৰু কৃষকৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ গণ আন্দোলন আৰু আমূল ভূমি সংস্কাৰ আন্দোলন গঢ়ি তোলা।

১০। ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু আৰু সংখ্যালঘু জাতিসত্বা সমূহৰ সাংস্কৃতিক - সামাজিক-ৰাজনৈতিক অধিকাৰ ৰক্ষাৰ আন্দোলনত চামিল হোৱা।

OKDISCD

# ইউ,এছ,এফ অসম ৰাজ্যিক তদৰ্থ কমিটিৰ যুঃ আহ্বায়কৰ চমু প্ৰতিবেদন

অসম তথা ভাৰতীয় ছাত্ৰসমাজৰ আশা আকাংক্ষাক বাস্তৱত ৰূপায়িত কৰিবলৈ সঠিক আৰ্থসামাজিক বিশ্লেষণৰ ভিত্তিত ৰচিত কাৰ্য্যসূচী লৈ ১৯৭৮ চনৰ জানুৱাৰী মাহত এক নতুন দেশপ্ৰেমিক ছাত্ৰ সংগঠনৰ ইউনাইটেড্ ষ্টুডেন্টচ্ ফেডাৰেচন (ইউ-এচ-এফ) ৰ জন্ম হয়।

এই সংগঠনৰ জন্মৰ পৰাই সঠিক মতাদৰ্শগত ভিত্তিৰ বাবেই শোষণ বিৰোধী সংগ্ৰামৰ মূল শক্তি শ্ৰমিক কৃষক জনগণৰ লগত ক্ৰমাগত বেচিবেচিকৈ ঐক্যবদ্ধ হৈ আৰু আন আন গণতান্ত্ৰিক ছাত্ৰ আন্দোলনত চামিল হৈ বহু সংগ্ৰামত বিজয় অৰ্জন কৰিছে। এছ-এফ-আইকে ধৰি তথাকথিত বামপন্থী ছাত্ৰ সংগঠনবোৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিক্ৰিয়াশীল নেতৃত্বৰ আচল স্বৰূপ সংগ্ৰামৰ মাধ্যমেৰেই উদঙাই দি দীৰ্ঘদিনীয়া ব্যথতাই অনা ছাত্ৰ সমাজৰ সন্তদ্ৰ্ন্দ্ব আঁতৰাই অসমৰ বৃহৎ ছাত্ৰ সমাজত এক নতুন উদ্দীপনাৰ আৰু দৃঢ় ঐক্যৰ সূচনা কৰিছে। প্ৰতিক্ৰিয়াশীল চক্ৰ সমূহৰ বিৰাট বাধা আৰু অপপ্ৰচাৰ সত্বেও মাত্ৰ প্ৰায় এবছৰৰ ভিতৰতে এক সবল গণভিত্তি তৈয়াৰ কৰি দ্ৰুতগতিত ইউ এছ এফে প্ৰসাৰ লাভ কৰিছে।

চুঙাজান বনাঞ্চল, টেঙাণী বনাঞ্চল ইত্যাদিত কৃষক উচ্ছেদৰ বিৰুদ্ধে হেজাৰ কৃষকৰ কান্ধত কান্ধ মিলাই সশস্ত্ৰ পুলিচী আক্ৰমণৰ মোকাবিলা কৰাত; বজালী অঞ্চলত সামন্তবাদ বিৰোধী কৃষকৰ ভূমিদখল আন্দোলনত সহযোগ কৰাত, বৰপথাৰ অঞ্চলৰ হেজাৰ হেজাৰ ছাত্ৰক লৈ ইউ-এছ-এফৰ নেতৃত্বত সামন্তবাদ বিৰোধী সংগ্ৰাম আৰু ছাত্ৰৰ বিভিন্ন দাবীৰ সমৰ্থনত সংগ্ৰাম আৰম্ভ কৰাত, গুৱাহাটীত কথাছবি প্ৰতিনিধি সন্থাৰ দীৰ্ঘদিনীয়া আন্দোলনত, জি-এল ইণ্ডাষ্ট্ৰিজৰ দীৰ্ঘদিনীয়া বীৰত্বপূৰ্ণ শ্ৰমিক আন্দোলনত, গুৱাহাটী পৌৰ নিগম কৰ্মীৰ আন্দোলনত, ইত্যাদিত আৰু অসংখ্য স্থানীয় দাবী লৈ শ্ৰমিক কৃষকৰ আহ্বানত সহাৰি জনাই সংগ্ৰাম কৰি সংগ্ৰাম জয়ৰ ইতিসাহেৰে ইউ-এছ-এফৰ এবছৰীয়া ইতিহাস গৌৰবময়।

পুলিচী যোগাযোগত সমাজ বিৰোধী ডকাইতৰ দীৰ্ঘদিনীয়া অত্যাচাৰ নিপীড়নৰ বিৰুদ্ধে জনগণক সংগঠিত কৰাৰ প্ৰস্তুতি চলাওতেই পুলিচ গুণ্ডা জোঁটৰ হিংস্ৰ আক্ৰমণত শ্বহীদ হোৱা দেশপ্ৰেমিক বীৰ হৰমোহন দাসৰ হত্যাৰ প্ৰতিবাদত অসমৰ ছাত্ৰ সমাজক জগাই তোলাতো ইউ-এছ-এফৰ ভূমিকা গুৰুত্বপূণ।

সদৌ অসম খেতিয়ক সন্থাৰ নেতৃত্বত সমগ্ৰ অসম জুৰি সামন্তবাদ বিৰোধী বিস্তৃত সংগ্ৰামৰ প্ৰস্তুতিত লাখ লাখ কৃষক ইউ-এছ-এফৰ সদস্য সকলে অহৰহ সহায়ৰ হাঁত আগবঢ়াই আছে।

সাম্ৰাজ্যবাদী বৃহৎ শক্তিৰ স্বাৰ্থত আৰু সাম্ৰাজ্যবাদী শক্তিৰ ষড়যন্ত্ৰত জনগণৰ মাজত সংঘৰ্ষৰ বীজ ৰোপণকাৰী উগ্ৰজাতীয়তাবাদী চক্ৰৰ চক্ৰান্তক মষিমূৰ কৰি সমগ্ৰ অসমৰ পৰা শ্ৰমিক, কৃষক, ছাত্ৰ, যুৱক, মহিলালৈ ভাৰতবৰ্ষৰ ইতিহাসত অভূতপূৰ্ব্ব ঐতিহাসিক উগ্ৰজাতীয়তাবাদ বিৰোধী বলিষ্ট মিছিল সংগঠিত কৰাত সক্ৰিয় অংশ গ্ৰহণৰ ইতিহাসেৰে ইউ, ইছ, এফৰ ইতিহাস আৰু অধিক গৌৰৱান্বিত। উগ্ৰজাতীয়তাবাদৰ বিৰুদ্ধে নিৰ্মম আদৰ্শগত সংগ্ৰাম চলোৱাতো ছাত্ৰ সংগঠণ সমূহৰ ভিতৰত ইউ,এছ,এফ অনন্য।

অকল স্থানীয় দাবীলৈয়েই সীমাবদ্ধ নাথাকি আৰু সংগঠনিক প্ৰসাৰ তথা সংহতকৰণৰ উদ্দেশ্যে চেপ্তেম্বৰ মাহত ৰাজ্যিক তদৰ্থ কমিটি গঠন কৰি ইতিমধ্যেই অসমত থকা সকলো বিদেশী পুঁজি বাজেয়াপ্তকৰণ, আমূল ভূমি সংস্কাৰ সাধন, সংখ্যালঘু জাতিসত্বা আৰু সম্প্ৰদায়ৰ ওপৰত নিপীড়ণ বন্ধকে আদি কৰি দহদফীয়া কাৰ্যসূচী হাতত লৈ আন্দোলনৰ পথম পৰ্য্যায় ৰাজ্যজুৰি আৰম্ভ কৰিছে।

OKDISCD

# ৪ মে'ৰ আন্দোলন

মূল ঃ মাও-চে-টুঙ
অনুবাদক ঃ তুতুল মণি শৰ্মা

বিশ বছৰৰ আগতে সংঘটিত ৪ মে'ৰ আন্দোলনে সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ বিৰুদ্ধে চীনৰ বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ এটি নতুন স্তৰ চিহ্নিত কৰি দিয়ে। ৪ মে'ৰ আন্দোলনৰ পৰাই সাংস্কৃতিক সংস্কাৰ আন্দোলনৰ জন্ম হৈছিল; যি আন্দোলন আছিল এই বিপ্লৱৰে এক অন্যতম অভিব্যক্তি। সেই সময়তে নতুন সামাজিক শক্তি সমূহৰ উন্মেষ আৰু তাৰ বিকাশৰ লগে লগে বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱত এক শক্তিশালী শিবিৰৰ আবিৰ্ভাৱ হয়। এই শিবিৰৰ অন্তৰ্ভুক্ত আছিল শ্ৰমিক শ্ৰেণী, ব্যাপক ছাত্ৰ আৰু নতুন জাতীয় বুৰ্জোৱা শ্ৰেণী। এই ৪ মে'ৰ আন্দোলনৰ সমসাময়িক কালছোৱাত চীনৰ হেজাৰ হেজাৰ ছাত্ৰই সাহৰেৰে অগ্ৰণী ভূমিকা গ্ৰহন কৰিছিল।

চীনৰ এই বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ প্ৰাৰম্ভিক গঠনৰ সময়ছোৱাৰ পৰা বিচাৰ কৰি চালে দেখা যাব যে ইয়াৰ বিকাশৰ ধাৰাটো কেইটামান স্তৰৰ মাজেদি ওলাই আহিছে। সেইবোৰ হ'ল— আফিং যুদ্ধ, টাইপিং স্বৰ্গীয় ৰাজ্যৰ যুদ্ধ, ১৮৯৪ চনৰ চীন-জাপান যুদ্ধ[১] ১৮৯৮ চনৰ সংস্কাৰ আন্দোলন[২], ঈ হো তুৱান আন্দোলন[৩], ১৯১১ চনৰ বিপ্লৱ, ৪ মে'ৰ আন্দোলন, উত্তৰাভিযান আৰু কৃষি বিপ্লৱৰ যুদ্ধ। বৰ্তমানৰ জাপ-বিৰোধী প্ৰতিৰোধ যুদ্ধও এই বিপ্লৱৰ অন্য এট্য স্তৰ আৰু ই হৈছে সকলোতকৈ বিশাল আকাৰৰ, শক্তিশালী আৰু গতিশীল স্তৰ। বিদেশী সাম্ৰাজ্যবাদ আৰু দেশীয় সামন্ততন্ত্ৰৰ মূলোচ্ছেদ কৰি এখন স্বাধীন গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হলেই একমাত্ৰ এই বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱ সম্পন্ন হৈছে বুলি ধৰা যাব পাৰে। আফিং যুদ্ধৰ পৰা আৰম্ভ কৰি বিপ্লৱৰ বিকাশৰ ধাৰাৰ প্ৰত্যেকটো স্তৰৰে নিজস্ব একোটা স্বকীয় বৈশিষ্ট্য আছে। কিন্তু সেইবিলাকৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ পাৰ্থক্যসূচক বৈশিষ্ট্যটো হ'ল সেইবিলাক চীনা কমিউনিষ্ট পাৰ্টিৰ জন্মৰ আগত নে পাছত ঘটিছে সেইটোহে। যিয়েই হওক, সামগ্ৰিক ভাবে, প্ৰত্যেকটো স্তৰেই বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ চৰিত্ৰ বহন কৰিছে। এই গণতান্ত্ৰিক বিপ্লৱৰ লক্ষ্যই হৈছে এনেকুৱা এটা সামাজিক ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰা যি ব্যৱস্থা চীনৰ ইতিহাসত আগতে কেতিয়াও প্ৰৱৰ্ত্তিত হোৱা নাই; অৰ্থাৎ এনেকুৱা এটা গণতান্ত্ৰিক–সামাজিক ব্যৱস্থা যিটোৰ পূৰ্ব্বসূৰী হ'ল সামন্ততান্ত্ৰিক সমাজ (বিগত শ শ বছৰজোৰা অৰ্দ্ধ উপনিবেশিক আৰু অৰ্দ্ধ সামন্ততান্ত্ৰিক সমাজ) আৰু উত্তৰাধিকাৰী হ'ল সমাজতান্ত্ৰিক সমাজ। যদি কোনোবাই প্ৰশ্ন কৰে কিয় প্ৰথমে বুৰ্জোৱা গণতান্ত্ৰিক সমাজ আৰু তাৰ পাছতহে সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ বাবে কমিউনিষ্ট সকলে চেষ্টা কৰিছে, তেতিয়াহলে তাৰ উত্তৰত আমাৰ বক্তব্য হ'ল ঃ আমি ইতিহাসৰ অৱশ্যম্ভাৱী গতি ধাৰা অনুসৰণ কৰিছো।

চীনৰ গণতান্ত্ৰিক বিপ্লৱ সম্পন্নৰ বাবে নিৰ্দ্দিষ্ট সামাজিক শক্তিসমূহৰ ওপৰত ই নিৰ্ভৰশীল। এই সামাজিক শক্তিসমূহ হ'ল শ্ৰমিক শ্ৰেণী, কৃষক, বুদ্ধিজীৱী আৰু বুৰ্জোৱা শ্ৰেণীৰ ভিতৰৰ প্ৰগতিশীল অংশ অৰ্থাৎ— শ্ৰমিক শ্ৰেণী আৰু কৃষকসকলক মূল বিপ্লৱী শক্তি হিচাপে আৰু শ্ৰমিক

OKDISCD

শ্ৰেণীকে বিপ্লৱৰ নেতৃত্বকাৰী শ্ৰেণী হিচাপে লৈ বিপ্লৱী শ্ৰমিক, কৃষক, ছাত্ৰ, সৈন্য, বুদ্ধিজীৱী তথা ব্যৱসায়ী সকল। এই মৌলিক বিপ্লৱী শক্তিসমূহ বাদ দি আৰু শ্ৰমিক শ্ৰেণীৰ নেতৃত্ব অবিহনে সাম্ৰাজ্যবাদ আৰু সামন্তবাদ বিৰোধী গণতান্ত্ৰিক বিপ্লৱ সম্পন্ন কৰা সম্ভৱ নহয়। আজি বিপ্লৱৰ প্ৰধান শত্ৰু হৈছে জাপানী সাম্ৰাজ্যবাদীহঁত আৰু চীনৰ বিশ্বাসঘাটকহঁত। বিপ্লৱৰ মৌলিক নীতি হৈছে জাপ-বিৰোধীজাতীয় যুক্তফ্ৰন্টৰ নীতি, যি যুক্তফ্ৰন্টত সমাবেশ ঘটিছে জাপ আক্ৰমণ-বিৰোধী শ্ৰমিক, কৃষক, সৈন্য, ছাত্ৰ আৰু বুদ্ধিজীৱী তথা ব্যৱসায়ীসকলৰ। প্ৰতিৰোধ যুদ্ধত চুড়ান্ত সফলতা তেতিয়াই ঘটিব যেতিয়া এই যুক্তফ্ৰন্ট দৃঢ়ভাবে সংগঠিত আৰু বিকশিত হব।

চীনৰ গণতান্ত্ৰিক বিপ্লৱী আন্দোলনত বুদ্ধিজীৱী সকলেই সৰ্ব্বপ্ৰথমে জাগ্ৰত হৈছিল। ১৯১১ চনৰ বিপ্লৱ আৰু ৪ মে'ৰ আন্দোলনত সুস্পষ্টভাৱে এইটো দেখা গৈছে আৰু ৪ মে'ৰ আন্দোলনৰ কালছোৱাত বুদ্ধিজীৱীসকল ১৯১১ চনৰ বিপ্লৱৰ কালছোৱাতকৈ তুলনামূলকভাবে সংখ্যাত বহুত বেছি আৰু তেওঁলোকৰ ৰাজনৈতিক চেতনাও আছিল উন্নত; কিন্তু বুদ্ধিজীৱীসকলে শ্ৰমিক আৰু কৃষক সকলৰ লগত একাত্ম হব নোৱাৰিলে একোৱেই কৰিবলৈ সক্ষম নহব। শেষ বিচাৰত বিপ্লৱী আৰু অবিপ্লৱী বা প্ৰতিবিপ্লৱীসকলৰ মাজত পাৰ্থক্যৰেখা হৈছে এইটোৱেই যে তেওঁলোকে শ্ৰমিককৃষকৰ লগত একাত্মক হবলৈ বিচাৰে নে নাই আৰু প্ৰকৃততে তেওঁলোকে সেইটো কৰিছে নে নাই। শেহত, এইটোৱেই, একমাত্ৰ এইটোৱেই এওঁলোকৰ লগত অন্যসকলৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰে; তিনি গণনীতি বা মাৰ্ক্সবাদত বিশ্বাস কৰাৰ ঘোষণা নহয়। যথাৰ্থতে বিপ্লৱী হৈছে। সেই জনেই, যিয়ে শ্ৰমিক আৰু কৃষকৰ লগত একাত্ম হবলৈ ইচ্ছুক, আৰু প্ৰকৃতাৰ্থত সেইটো কৰিছে।

৪ মে'ৰ আন্দোলনৰ পিছত বিশ বছৰ আৰু জাপ-বিৰোধী যুদ্ধ আৰম্ভ হোৱাৰ পিছত দুবছৰ পাৰ হৈ গ'ল। যুৱক সকলৰ আৰু দেশৰ সমগ্ৰ সাংস্কৃতিক গোষ্ঠীসমূহৰে গণতান্ত্ৰিক বিপ্লৱ আৰু প্ৰতিৰোধ যুদ্ধৰ প্ৰতি এক গধূৰ দায়িত্ব আছে। মই আশা কৰোঁ তেওঁলোকে চীন বিপ্লৱৰ চৰিত্ৰ আৰু চালিকা শক্তি সমূহ অনুধাবন কৰিব পাৰিব, তেওঁলোকৰ কামৰ যোগেদি শ্ৰমিক কৃষকৰ সেৱা কৰিব, তেওঁলোকৰ মাজলৈ যাব আৰু তেওঁলোকৰ মাজত প্ৰচাৰক আৰু সংগঠকৰ কাম কৰিব। জাপানৰ বিৰুদ্ধে সমগ্ৰ জনগণ জাগ্ৰত হলে জয়লাভ আমাৰ হবই। সমগ্ৰ দেশখনৰেই যুৱক সকল উদ্যোগী হৈ উঠক!

(মাও-চে-টুঙৰ নিৰ্ব্বাচিত ৰচনাৱলী ২য় খণ্ড)

---

টোকা:

১। কোৰিয়া আৰু চীন আক্ৰমণ কৰাৰ উদ্দেশ্যে জাপানী সাম্ৰাজ্যবাদে ১৮৯৪ চনত চীন-জাপান যুদ্ধ আৰম্ভ কৰে। বহু চীনা সাধাৰণ সৈন্য আৰু কিছু সংখ্যক দেশপ্ৰেমিক সেনাপতিয়ে বীৰত্বপূৰ্ণ যুঁজ কৰে কিন্তু চিং চৰকাৰৰ দুৰ্নীতিৰ ফলত প্ৰতিৰোধ যুদ্ধ প্ৰস্তুতিত চীন পৰাজিত হয়। ১৮৯৫ খৃঃত চিং চৰকাৰে জাপানৰ লগত অত্যন্ত অপমান জনক শিমনসেমি চুক্তি কৰিবলৈ বাধ্য হয়।

২। ১৮৯৮ খৃঃত সংস্কাৰ আন্দোলন সম্পৰ্কে এই খণ্ডত প্ৰকাশিত "দীৰ্ঘস্থায়ী যুদ্ধ সম্পৰ্কে" নামৰ প্ৰবন্ধৰ ১১ নং টীকা দ্ৰষ্টব্য।

৩। ১৯০০ খৃঃ ৰ 'ঈ হো তুৱান আন্দোলন' আছিল উত্তৰ চীনৰ কৃষক আৰু হস্তশিল্পীসকলৰ এক ব্যাপক সাম্ৰাজ্যবাদ বিৰোধী সশস্ত্ৰ স্বতঃ স্ফূৰ্ত সংগ্ৰাম। ধৰ্ম তথা অন্যান্য সুত্ৰত যোগাযোগ কৰি গুপ্ত সমিতিৰ মাধ্যমত তেওঁলোকে ব্যাপক যুদ্ধ চলায়। কিন্তু অত্যন্ত হিংস্ৰ বৰ্বৰতাৰ সতে এই আন্দোলনক অবদমিত কৰা হয় আৰু মাকিন যুক্তৰাষ্ট্ৰ, গ্ৰেট ব্ৰিটেন, জাৰ্মানি, জাপান, ৰাছিয়া, ফ্ৰান্স, ইটালী অষ্ট্ৰেলীয়া এই আঠখন সাম্ৰাজ্যবাদী দেশৰ সৈন্যবাহিনীয়ে পিকিং আৰু তিয়েন্‌চিন্ দখল কৰে।

OKDISCD

# অসমৰ সাম্প্ৰতিক ছাত্ৰ আন্দোলন

ইউ,এছ,এফ, গোট কমিটি (কটন কলেজ গুৱাহাটী)

আধুনিক মানৱ ইতিহাসৰ শিক্ষাই কয় যে প্ৰগতিশীল আদৰ্শৰ স্বাৰ্থত, গণতন্ত্ৰ তথা দেশপ্ৰেমৰ স্বাৰ্থত আত্মসুখ বলিদান দি প্ৰকৃত সংগ্ৰামীৰ ভূমিকা ল'বলৈ ছাত্ৰসমাজ কেতিয়াও বিমুখ নহয়। এখন উৰ্ঁলি যোৱা সমাজৰ অগ্ৰণী শ্ৰেণীটোৱে এই সমাখনজক ভাঙি-চিঙি নতুন ৰূপত ইয়াক সজাবলৈ যি প্ৰচেষ্টা হাতত লয় সেই প্ৰচেষ্টাত ছাত্ৰসমাজে সদায়েই এক তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়ায়, আৰু সেয়েহে এখন সমাজৰ বৈপ্লৱিক পৰিবৰ্তনৰ সূচনা কৰাত ছাত্ৰসমাজৰ এক মহান ঐতিহাসিক দায়বদ্ধতা আছে।

শ্ৰেণীশোষণত জৰ্জৰিত ভাৰতবৰ্ষৰ আন অঞ্চলসমূহৰ দৰেই অসমতো যোৱা কিছুবছৰ ধৰি জনসাধাৰণৰ মাজত ক্ৰমান্বয়ে বাঢ়ি অহা অসন্তুষ্টি, শোষণৰ মাত্ৰাবৃদ্ধি আৰু শাসক শ্ৰেণীৰ মাজত ক্ষমতাৰ বাবে লগা খোৱা-কামোৰাৰ ফলস্বৰূপে এক বৃহৎ জনজাগৰণৰ সৃষ্টি হৈছে আৰু ই এক সুন্দৰ বৈপ্লৱিক পৰিস্থিতিৰ সৃষ্টি কৰিছে। অসম তথা ভাৰতৰ মাজত এফালেদি জমিদাৰ মহাজনৰ সামন্তবাদীয় অথনীতি বহিভূত শোষণত জৰ্জৰিত আৰু আনফালেদি ইয়াৰ ওপৰত চলিছে ৰাছিয়াৰ পৰা আৰম্ভ কৰি আমেৰিকা, ইংলণ্ড, পশ্চিম জাৰ্মেণী, ফ্ৰান্স, ইটালী আদি ৰঙ-বিৰঙৰ সাম্ৰাজ্যবাদী শক্তিৰ অবাধ লুন্ঠন। ইহঁতৰ: সেৱাদাস হিচাপে আছে এচাম ঘৰ বিভীষণ বৃহৎ দালাল পুঁজিপতি, বৃহৎ জমিদাৰ আৰু এদল উচ্চ স্তৰৰ দালাল আমোলা। এই পৰিস্থিতিত অসম তথা ভাৰতৰ অথ-সামাজিক ব্যৱস্থাই অনিবাৰ্য্যভাৱেই আধা সামন্ততান্ত্ৰিক-আধা ঔপনিবেশিক ৰূপ লৈছে। দেশৰ অগণন শোষিত-নিষ্পেষিত শ্ৰমিক, কৃষক ছাত্ৰ, মধ্যবিত্ত আৰু দেশীয় পুঁজিপতিয়ে সেয়েহে আজি এই অৱস্থাৰ আমূল পৰিবৰ্ত্তন হোৱাটো বিচাৰিছে। আজি "দেশে বিচাৰিছে স্বাধীনতা, জাতিয়ে বিচাৰিছে মুক্তি আৰু জনগণে বিচাৰিছে বিপ্লৱ"। সমগ্ৰ দেশজুৰি আজি দুই বৃহৎ বিশ্বশক্তি ৰাছিয়া আৰু আমেৰিকাই নিজৰ একাধিপত্য প্ৰতিষ্ঠা কৰিবলৈ মৰণপণ খোৱা-কামোৰাত নামিছে আৰু জনগণে এই দুই মূল শত্ৰুৰ অন্তৰ্দ্বন্দ্বৰ সুবিধা লৈ এফালেদি গণতান্ত্ৰিক আন্দোলন সমূহ আগবঢ়াই নিব পাৰিছে আৰু আনফালেদি বিশেষকৈ অসমত দুই বৃহৎ বিশ্বশক্তিৰ এই খোৱা-কামোৰাৰ সুবিধা লৈ দ্বিতীয় বিশ্বৰ সাম্ৰাজ্যবাদী শক্তিবোৰে নিজৰ অৱস্থান সুদৃঢ় কৰিবলৈ সক্ষম হৈছে। এই বাস্তৱ অৱস্থাই অসমত প্ৰগতিশীল জনজাগৰণৰ বাবে এক চমৎকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। বৰ্ত্তমান আমাৰ দেশৰ আৰ্থ-সামাজিক ভেঁটিত আঘাত হনা মানেই ৰঙবিৰঙৰ সাম্ৰাজ্যবাদী শক্তি আৰু সিহঁতৰ ছত্ৰছায়াত বৰ্ত্তি থকা জমিদাৰ, মহাজন, দালাল পুঁজিপতি আৰু উচ্চ স্তৰৰ আমোলাবোৰৰ শ্ৰেণী স্বাথত আঘাত হনা। ইহঁতৰ বাহিৰে যিহেতু দেশৰ বাকী সকলো শ্ৰেণীয়েই নিজ নিজ মুক্তিৰ অৰ্থে ভাৰতৰ এক বৈপ্লৱিক পৰিবৰ্ত্তন কামনা কৰে সেয়েহে আজি সমগ্ৰ দেশত এক

OKDISCD

শক্তিশালী গণতান্ত্ৰিক অৰ্থাৎ সামন্তবাদ বিৰোধী যুক্ত মৰ্চ্চা গঠন কৰাৰ বিপুল সম্ভাৱনাই দেখা দিছে আৰু এই সম্ভাৱনাক বাস্তৱায়িত কৰাত অসম তথা ভাৰতৰ ছাত্ৰসমাজৰ কান্ধত আহি পৰিছে এক মহান ঐতিহাসিক দায়িত্ব।

সমাজৰ আৰ্থ-সামাজিক অৱস্থাৰ প্ৰকৃত মূল্যায়নৰ ভিত্তিত প্ৰতিষ্ঠিত নহ'লে তথা জনগণৰ প্ৰকৃত শত্ৰু আৰু মিত্ৰক বাচি উলিয়াব নোৱাৰিলে কোনো ছাত্ৰ সংগঠনেই আন্দোলন কৰি জনগণে বিচৰা বিপ্লৱক সহায় কৰিব নোৱাৰে।

অসমৰ ছাত্ৰ আন্দোলনৰ কথা কওঁতেই আমি পোনতেই স্মৰণ কৰিব লাগিব সদৌ অসম ছাত্ৰ-সন্থাৰ কথা। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বই দাবী কৰিব খোজে যে ই এক অৰাজনৈতিক ছাত্ৰ সংগঠন। কিন্তু কথাষাৰ সম্পূৰ্ণ বাস্তৱ বিবৰ্জ্জিত। কাৰণ যি কোনো সংগঠন অনিবাৰ্য্যভাৱেই তাৰ শ্ৰেণীস্বাৰ্থ অনুযায়ী কোনো নহয় কোনো ৰাজনীতিৰ তলতীয়া হবলৈ বাধ্য। ই বিজ্ঞান তথা ইতিহাসৰ পৰা পোৱা শিক্ষা। সেয়েহে সদৌ অসম ছাত্ৰ সন্থাক অৰাজনৈতিক নুবুলি বিচিত্ৰ ৰাজনৈতিক চৰিত্ৰৰ বোলাহে উচিত। বহু ৰাজনৈতিক মতা-দৰ্শৰ ছাত্ৰৰে গঠিত ই এক তথাকথিত অৰাজ-নৈতিক ছাত্ৰ সংগঠন। এই ছাত্ৰ সংগঠনৰ সমাজ সম্পৰ্কে কোনো আৰ্থ-সামাজিক বিশ্লেষণ নাই বা থকাৰ কোনো আৱশ্যকতা নেতৃত্বই অনুভৱ কৰা নাই, কাৰণ বৰ্ত্তি থকা সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তনৰ চিন্তা এই সন্থাৰ কৰ্ম্মসূচীৰ বাহিৰত। সকলো ধৰণৰ ৰাজনৈতিক মতাৱলম্বী ছাত্ৰনেতা এই সংগঠনত থকাৰ বাবে ইয়াৰ দাবীসমূহত সকলো ধৰণৰ ৰাজনীতিৰ জলখিচিৰী আমি দেখিবলৈ পাওঁ। অসমত 'ইনাৰ লাইন' প্ৰতিষ্ঠাৰ দাবীৰ পৰা ৰাজনৈতিক বন্দীৰ বিনাচৰ্তে মুক্তিৰ দাবী পৰ্য্যন্ত সকলোধৰণৰ অগণতান্ত্ৰিক-গণতান্ত্ৰিক দাবী ইয়াৰ কৰ্ম্মসূচীত সন্নিবিষ্ট হৈছে। ফলত ই হৈ পৰিছে বিৰুদ্ধ মতাদৰ্শৰ দ্বন্দ্বৰ যুঁজত জুৰুলা। অৱশ্যে এই কথা স্বীকাৰ কৰিবই লাগিব যে অসমৰ ছাত্ৰ-সমাজৰ ৰাজনৈতিক সচেতনতাৰ দুৰ্ব্বলতা আৰু প্ৰগতিশীল বাতাবৰণৰ অত'দিনৰ অভাৱৰ বাবে এই ছাত্ৰ সংগঠনৰ নেতৃত্বই তাৰ তথাকথিত অৰাজনৈতিক 'লেবেল' খন ব্যৱহাৰ কৰি আজি বহুদিন ধৰি অসমৰ অধিকাংশ ছাত্ৰক ইয়াৰ প্ৰতি আকৃষ্ট কৰি ৰাখিছে। কিন্তু সাম্প্ৰতিক ইয়াৰ নেতৃত্বৰ একাংশই দিয়া অসম বন্ধৰ অহ্বান সমূহ প্ৰকৃতাৰ্থত সফল নোহোৱাৰ কাৰ্য্যই এই সংগঠনৰ নেতৃত্বৰ দুৰ্ব্বলতা, অন্তৰ্দ্বন্দ্ব আৰু তাৰ কমি অহা জনপ্ৰিয়তাৰ কথাকে সূচাইছে। ইয়াৰ জনপ্ৰিয়তা কমি অহাৰ গুৰিত আছে অসমৰ ছাত্ৰ সমাজৰ মাজত ক্ৰমান্বয়ে বাঢ়ি অহা ৰাজনৈতিক সচেতনতা আৰু প্ৰগতিশীল বাতাবৰণৰ সুস্থ বিকাশ। এই সংগঠনটোৰ জনপ্ৰিয়তাৰ ভেঁটি আছিল অসমৰ ৰাজনৈতিক ভাৱে অসচেতন গৰিষ্ঠ সংখ্যক ছাত্ৰৰ ইয়াৰ প্ৰতি থকা আবেগিক দৰদ। ইয়াৰ কাৰ্য্যকলাপলৈ লক্ষ্য কৰি আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে সমাজসম্পৰ্কীয় কোনোধৰণৰ আৰ্থ-সামাজিক বিশ্লেষণহীন বহু ৰাজনৈতিক মতা-দৰ্শৰ ছাত্ৰনেতাৰে গঠিত এই তথাকথিত অৰাজ-নৈতিক সংগঠন সদৌ অসম ছাত্ৰ সন্থাই বৰ্ত্তমান অসম তথা ভাৰতৰ সামাজিক ব্যৱস্থাত কোনো ধৰণৰ মৌলিক পৰিবৰ্ত্তন অনাত সমাজৰ অগ্ৰণী অংশক সহায় কৰিবলৈ অপাৰগ হৈছে আৰু ই অসমৰ ছাত্ৰ-সমাজৰ মৌলিক সমস্যাসমূহো সমাধান কৰিব পৰা নাই। অস ৰ বৰ্ত্তমানৰ ছাত্ৰসমাজত নিতান্তই আংশিক ভাৱে প্ৰতিষ্ঠা লাভ কৰা আন এটা ছাত্ৰসংগঠন হ'ল ভাৰতৰ ছাত্ৰ ফেডাৰেচন স্বাধীনতা, , গণতন্ত্ৰ আৰু সমাজতন্ত্ৰৰ ঢোলদগ পিটি এই তথাকথিত প্ৰগতিশীল ছাত্ৰসংগঠনটোৱে ভাৰতৰ ৰাষ্ট্ৰ-চৰিত্ৰক আধাসামন্ততান্ত্ৰিক আৰু পুঁজিবাদী বুলি ভুল ব্যাখ্যা দিয়ে আৰু ভাৰতৰ ৰাষ্ট্ৰক্ষমতাত নিহিত হৈ থকা সাম্ৰাজ্যবাদী নিয়ন্ত্ৰণক স্বীকাৰ কৰিব নোখোজে (অৱশ্যে ভাৰতী অৰ্থনীতিত সাম্ৰাজ্যবাদৰ উপস্থিতি তেওঁলোকে স্বীকাৰ কৰি লয়। আনপিনে অৰ্থনীতিত বিদ্যমা

OKDISCD

সাম্ৰাজ্যবাদক তেওঁলোকে ৰাজনীতিত নাই বুলি কয় ! অৰ্থাৎ যিটো ভেঁটিত আছে সি উপৰি–সৌধত নাই !) আৰু লগতে বিশ্বজনগৰ প্ৰধান শত্ৰু ৰুছ সামাজিক সাম্ৰাজ্যবাদক ই সমাজতান্ত্ৰিক শক্তি বুলি স্বীকৃতি দি ভাৰতীয় জনগণৰ চকুৰ আগৰ পৰা ইহঁতক লুকুৱাবলৈ চেষ্টা কৰিছে। পশ্চিমবঙ্গ আৰু ত্ৰিপুৰাত বানপ্ৰপীড়িত বুভুক্ষ জনগণৰ ওপৰত পুলিচী নিৰ্য্যাতনক জনাইছে সমৰ্থন। অসমতো লাহে লাহে গা কৰি উঠা সামন্তবাদ বিৰোধী সংগ্ৰামসমূহত অংশ গ্ৰহণ কৰিবলৈ তেওঁলোক অনিচ্ছুক। বৰ্ত্তমান অসমত দুই বৃহৎ বিশ্বশক্তিৰ স্বাৰ্থত দেখা দিয়া উগ্ৰজাতীয়তাবাদৰ বিৰুদ্ধে তেওঁলোকে কোনো সাহসী ভূমিকা লব নোৱাৰিলে। বৰঞ্চ বহু ক্ষেত্ৰত তেওঁলোকৰ এই দুৰ্ব্বলতাৰ বাবে তেওঁলোক উগ্ৰজাতীয়তাবাদীহঁতৰ হাতত লাঞ্চিত, অপমানিত হব লগাত পৰিছে। উগ্ৰজাতীয়–তাবাদৰ বিৰুদ্ধে তেওঁলোকে এক বলিষ্ঠ বিপ্লৱী অৱস্থান গ্ৰহন কৰিব নোৱাৰাৰ কাৰণ হ'ল দুটা ঃ

১) ভুল মতাদৰ্শৰ বাবে এই সংগঠনৰ সদস্য-সকলৰ মতাদৰ্শগত সাহস আৰু সংগ্ৰামী চেতনা তেনেই তৰল, ফলত ই 'ছাঁটোতেই বাঘটো' দেখে।

২) আনহাতেদি যি ৰুছ সামাজিক সাম্ৰাজ্য-বাদৰ স্বাৰ্থত আংশিকভাৱে এই উগ্ৰজাতীয়তা-বাদে অসমত মূৰ দাঙি উঠিছে সেই ৰুছ সামাজিক সাম্ৰাজ্যবাদৰ ছত্ৰছায়াত এই সংগঠনৰ নেতৃত্বইও অৱস্থান গ্ৰহণ কৰিছে। ইয়াৰ প্ৰমাণ আমি দেখিবলৈ পাওঁ ভিয়েটনামে কাম্বোডিয়াৰ ওপৰত চলোৱা আক্ৰমণ সম্পৰ্কে তেওঁলোকে লোৱা দৃষ্টি-ভংগীত। ৰুছ সামাজিক সাম্ৰাজ্যবাদক ৰাইজৰ চকুৰ পৰা ঢাকিবলৈ তেওঁলোকে আক্ৰমণকাৰী ভিয়েটনামৰ পক্ষ লৈছে। তেওঁলোকে মুখত বাম তথা গণতান্ত্ৰিক ঐক্যৰ কথা কৈছে অথচ কামত ফেছীবাদী ইন্দিৰা চক্ৰৰ জৰুৰীকালীন অৱস্থাক সমৰ্থন জনোৱা এ,আই,এছ,এফ,ৰ লগতহে মিতি-ৰালি পাতিছে। তেওঁলোকৰ সংগ্ৰাম সমূহলৈ লক্ষ্য কৰিলে দেখা যায় তেওঁলোকে বৃহত্তৰ জন-গণৰ স্বৰ্থক সমূখত ৰাখি সংগ্ৰাম গঢ়ি নোতোলে। ইয়াক কৰা হয় একমাত্ৰ নিজৰ সংগাঠনিক স্বাৰ্থলৈ লক্ষ্য কৰি। ফলত য'ত এছ.এফ, আই.ৰ স্বাৰ্থ নাই তাত যোৱা জৰুৰীকালীন অৱস্থাৰ পিছত হোৱা নিৰ্ব্বচনত যি তথাকথিত চি পি আই (এম) 'হাৰা' উত্তৰ-পূব ভাৰতত বলিল তাৰ সুযোগ লৈ ভাৰতৰ ছাত্ৰ ফেডাৰেচনে অসমত নিজৰ অৱস্থান কিছু সুদৃঢ় কৰাৰ সুযোগ পায়। কিন্তু অশুদ্ধ আৰ্থ-সামাজিক বিশ্লেষণৰ ওপৰত ভিত্তিত কৰি তৈয়াৰ হোৱা এই ছাত্ৰসংগঠনটোৰ মতাদৰ্শত আৰম্ভণিৰে পৰা কেৰোণ লাগিল। বৰ্ত্তমান এই সংগঠনৰ বহুকেইটা মৌলিক ত্ৰুটী ৰাইজৰ চকুত ধৰা পৰিছে। আন্দোলন সম্পৰ্কে এই সংগঠনৰ দৃষ্টি-ভংগী সম্পূৰ্ণ বিমূৰ্ত্ত আৰু 'বিচ্ছিন্নতাবাদী'। এই সংগঠনটোৱে যদিও স্বাধনীতা, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰ আদিৰ ফুলজাৰি মাৰে, শ্ৰমিক-কৃষক ছাত্ৰ-যুৱকৰ ঐক্যৰ কথা কয়, কিন্তু কাৰ্য্যতঃ ইয়াৰ নেতৃত্বই এই সংগঠনৰ সাধাৰণ সদস্য-সকলক শ্ৰমিক-কৃষক-মধ্যবিত্তৰ আন্দোলন সমূহৰ লগত একাত্ম হোৱাৰ বাবে কোনো আঁচনি হাতত লোৱা নাই। শ্ৰমিকৰ তথাকথিত বন্ধু এই সংগঠনটোৱে পশ্চিম বঙ্গত চাওতালদিকে আদি কৰি বিভিন্ন শ্ৰমিক সকলৰ ওপৰত হোৱা পুলিচী জুলুমৰ বিৰোধীতা কৰক চাৰি ইয়াৰ পক্ষপাতিত্বহে কৰিছে! ঠিক তেনেকৈয়ে অসমতো যি শ্ৰমিক আন্দোলন সমূহে গা কৰি উঠিছে সেইবোৰৰ লগতো তেওঁলোক একাত্ম হোৱা নাই। তেওঁ-লোকৰ শ্ৰমিকৰ প্ৰতি থকা দৰদ খুব বেছি মাজে সময়ে কাগজে-পত্ৰই দিয়া দুই এটা বিবৃতি, দুই এযাৰি দেৱাল লিখনি বা দুই-এখন পণ্টাৰতেই সীমাবদ্ধ! সংস্থানহীন কৃষকৰ দুখত উদ্বাউল ছাত্ৰ সংগঠন এছ,এফ,আই য়ে পশ্চিমবঙ্গৰ বৰ্দ্ধ-মানত পুলিচৰ গুলিত নিহত হোৱা উদ্বাস্তুসকলৰ পক্ষ নলৈ পুলিচৰ পক্ষহে লৈছে। ঠিক তেনেকৈয়ে

OKDISCD

তেওঁলোকে বীৰভূমৰ জনগণৰ গণতান্ত্রিক অধিকাৰ বিপন্ন হলেও এছ,এফ,আই, নাই! তেওঁলোকৰ কাৰ্য্যকলাপলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁ-লোক সম্পূৰ্ণভাবে নিৰ্ব্বাচন সৰ্ব্বস্ব ৰাজনীতিত ভুগিছে আৰু সেয়েহে ছাত্রসমাজত বলিষ্ঠভাৱে বিপ্লৱী ৰাজনীতি প্রচাৰ কৰি প্রকৃত দেশপ্রেমিক তথা গণতান্ত্রিক সংগ্রাম গঢ়ি তোলাৰ পৰিবৰ্ত্তে প্রতিদ্বন্দ্বী ছাত্রসংগঠন সমূহৰ বিষয়ে অপপ্রচাৰ চলাই মিছা প্রতিশ্রুতিৰ বেহানি মেলি নিৰ্ব্বাচনত জয়লাভ কৰাৰ আঁচনিহে তেওঁলোকে লৈছে। ইয়াকো অঁৱশ্যে স্বীকাৰ কৰিব লাগিব যে এই ছাত্র সংগঠনটোৰ নেতৃত্ব আৰু সাধাৰণ সভ্যসকলক একেটা দৃষ্টিভংগীৰে জুখিবলৈ যোৱাটো ভুল হব। এই সংগঠনতো এনে বহুত সাধাৰণ সদস্য আছে যিসকল মনে প্ৰাণে বিপ্লৱী। মতাদর্শগত গভীৰ শিক্ষাৰ অভাৱত যদিও এওঁলোকে ভুল নেতৃত্বক অনুসৰণ কৰি প্রতিবিপ্লৱৰ স্বাৰ্থই পূৰণ কৰিছে তথাপি তেওঁলোকৰ অন্তৰত উমি উমি জ্বলি আছে এটা প্রকৃত বিপ্লৱী সত্তা যিটো সঠিক মতাদৰ্শৰ সান্নিধ্যলৈ আহিলে নিশ্চয় এক বিৰাট বিপ্লৱী দাবানলৰ সৃষ্টি কৰিব পাৰিব। ভুল মতাদৰ্শৰ বাবে সৃষ্টি হোৱা তৰল বৈপ্লৱিক চেতনা আৰু সংগ্রামী সাহসৰ অভাৱত ভাৰতৰ ছাত্র ফেডাৰেচন অসমৰ ছাত্র ৰাজনীতিত ধুমকেতুৰ দৰে আবিৰ্ভাৱ হৈ ক্রমাত স্তিমিত হৈ আহিব ধৰিছে। ইয়াৰ ওপৰিও ছাত্র সমাজত অৱস্থান লাভ কৰি থকা আন কেইটামান সৰ্ব্বভাৰতীয় ছাত্র সংগঠন হ'ল ভাৰতৰ জাতীয় ছাত্র ইউনিয়ন (NSUI); এ, আই এছ, এফ, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ; জনতা ছাত্র পৰিষদ' ডি,এছ,অ;পি,এছ, ইউ। যোৱা ত্রিশ বছৰ ধৰি অসম তথা ভাৰতৰ জনগণক শোষণ কৰি অহা কংগ্রেছৰ ছাত্র সংগঠন হ'ল এন, এছ, ইউ, আই। বৰ্ত্তমান ই ফেচীবাদী ইন্দিৰা কংগ্রেছৰ কবলত। এই ছাত্র-সংগঠনৰ কু-কীৰ্ত্তি বহলাই কোৱাৰ প্রয়োজন নাই। ইয়াৰ ইতিহাস ইয়াৰ পিতৃসংগঠন কংগ্রে-ছৰ দৰেই ঘৃনণীয়। যোৱা জৰুৰীকালীন অৱ-স্থাত এই ছাত্রসংগঠনটোৱে জনগণৰ ওপৰত বিশেষকৈ ছাত্র সমাজৰ ওপৰত যি নিৰ্লজ্জ অত্যাচাৰ জাপি দিছিল সেই বিষয়ে সকলো ছাত্র-ছাত্রীয়েই জানে। বৰ্ত্তমান লক্ষ্য কৰা হৈছে যে এই সংগঠনটোৱে দেখদেখকৈ কাম কৰাতকৈ বিভিন্ন ছদ্মবেশেৰে তাৰ ঘৃনণীয় কাৰ্য্যকলাপ পৰিচালিত কৰিছে। সেয়েহে অসমৰ ছাত্রসংগঠনৰ নামত এক কলঙ্কস্বৰূপ এই ছাত্রসংগঠনটোৰ ষড়-যন্ত্রবোৰৰ বিষয়ে সজাগ হোৱা উচিত আৰু এইবোৰক শীঘ্রেই মষিমূৰ কৰা উচিত।

ৰুছ সামাজিক সাম্রাজ্যবাদৰ মূল দালাল ভাৰতীয় ছাত্র সংগঠন হ'ল এ, আই, এছ, এফ। মুখত সমাজবাদৰ বুলি আওৰাই কামত ফেছীবাদী ব্যৱস্থা কায়েম কৰিবলৈ ই সকলো ধৰণৰ ষড়-যন্ত্র হাতত লৈছে। বিশ্বজনগণৰ এক নম্বৰ শত্রু ৰুছ সামাজিক সাম্রাজ্যবাদৰ বিশ্বস্ত অনুচৰ এই ছাত্রসংগঠনটো পৰোক্ষভাৱে এক দেশদ্রোহী ছাত্র-সংগঠন। ইয়াৰ প্রকৃত স্বৰূপ নগ্নভাৱে ওলাই পৰিছিল যোৱা জৰুৰীকালীন অৱস্থাত। এফালেদি সমাজতন্ত্রৰ কথা কোৱা এই ছাত্রসংগঠনটোৱে সেই সময়ত ৰুছ সামাজিক সাম্রাজ্যবাদৰ স্বাৰ্থত ঘোষণা কৰা জৰুৰীকালীন অৱস্থাক নিৰ্লজ্জ ভাৱে সমৰ্থন দিছিল আৰু ইয়াৰ সপক্ষে ঢোল-দগৰ পিটি ফুৰিছিল। বৰ্ত্তমান ইয়াৰ এই সং-শোধনবাদী চৰিত্র সাধাৰণ সদস্যসকলে বুজি পাইছে আৰু ফলত ই হৈ পৰিছে তেনেই দুৰ্ব্বল। ভাৰতৰ ছাত্রসমাজ তথা ভাৰতীয় জনগণৰ স্বাৰ্থৰ হকে ইয়াৰ ত্বৰিৎ মৃত্যুৱেই কাম্য।

ইয়াৰ ওপৰিও সমাজবাদৰ নামাৱলী পিন্ধা আন দুটা সুবিধাবাদী ছাত্রসংগঠন হ'ল ডি,এছ,অ, আৰু পি,এছ,ইউ। অৱশ্যে অসমৰ ছাত্র সমাজত এওঁলোকৰ অৱস্থিতি নাই বুলিলেই হয়। যিখিনি আছে সিও ত্বৰিৎ গতিত নাইকীয়া হব ধৰিছে।

ভথাকথিত ধৰ্মনিৰপেক্ষ ৰাষ্ট্র ভাৰতবৰ্ষৰ হিন্দু উগ্র সাম্প্রদায়িকতাৰ ওপৰত প্রতিষ্ঠিত ছাত্রসংঠন হ'ল অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ,

OKDISCD

সুখৰ কথা হ'ল অসমৰ ছাত্ৰসমাজৰ ওপৰত তাৰ প্ৰভাৱ তেনেই সীমিত। ইয়াৰ মূল কাৰণ হ'ল ভাৰতৰ আন অঞ্চলৰ তুলনাত অসমত সাম্প্ৰদায়িক বিভেদৰ বীজ বৰ গভীৰ নহয়। আমি অসমৰ ছাত্ৰ সমাজলৈ আহ্বান জনাওঁ তেখেতসকলে যেন উগ্ৰ সাম্প্ৰদায়িকতাৰ ওপৰত প্ৰতিষ্ঠিত এই ছাত্ৰ সংগঠনটোৰ সাম্প্ৰদায়িক ষড়যন্ত্ৰবোৰৰ প্ৰতি সচেতনতা অৱলম্বন কৰে।

জৰুৰীকালীন অৱস্থাৰ পিছত অসম তথা ভাৰতৰ ছাত্ৰসমাজৰ আকাশত উল্কাৰ দৰে আবিৰ্ভাৱ হোৱা ছাত্ৰসংগঠন হ'ল জনতা ছাত্ৰ পৰিষদ। এই সংগঠনটো তাৰ মাতৃসংগঠন বৰ্ত্তমানৰ শাসনাধিষ্ঠিত জনতা পাৰ্টিৰ দৰেই এক বৈচিত্ৰপূৰ্ণ সংগঠন। জনতা পাৰ্টিয়ে যেনেকৈ আমেৰিকান সাম্ৰাজ্যবাদ আৰু দ্বিতীয় বিশ্বৰ সাম্ৰাজ্যবাদী শক্তিবোৰৰ স্বাৰ্থ পূৰণ কৰিছে ঠিক তেনেই তাৰ প্ৰতিফলন স্বৰূপে এই ছাত্ৰ সংগঠনটো গোড়া আৰু নৰম দুটা অংশ দেখা যায়। যদিও এই ছাত্ৰ সংগঠনটো বৰ্ত্তমানৰ শাসনাধিষ্ঠিত শ্ৰেণীৰ ছাত্ৰসংগঠন তথাপি অসমৰ ছাত্ৰ ৰাজনীতিত ইয়াৰ অৱস্থানো তেনেই সীমিত আৰু ক্ৰমে ম্লান হৈ অহা জনতা পাৰ্টিৰ দৰেই ইও ম্লান পৰি আহিছে।

এইবোৰৰ ওপৰিও অসমৰ ছাত্ৰসমাজত বৰ্ত্তমান কিছু আঞ্চলিক ছাত্ৰসংগঠনে অৱস্থান লাভ কৰি আছে। বড়ো ছাত্ৰ সন্থা তেনে এক সংগঠন। বড়ো জাতিৰ ওপৰত চলা জাতীয় নিপীড়নৰ ফলত জন্ম লাভ কৰা বড়ো জাতীয় আন্দোলনৰ অংশ হিচাবে এই ছাত্ৰ সংগঠনটোৱে জন্ম লাভ কৰিছিল। বৰ্ত্তমান ইয়াৰ নেতৃত্ব দুটা ভাগত বিভক্ত। এটা ভাগে প্ৰগতিশীল মতাদৰ্শৰ প্ৰতি আকৃষ্ট হৈ বড়ো জাতীয় আন্দোলনক সমগ্ৰ ভাৰতবৰ্ষৰ জাতীয় মুক্তি সংগ্ৰামৰ সৈতে একাত্ম কৰাৰ বিজ্ঞানসন্মত পথ লৈছে আৰু আন এটা ক্ষুদ্ৰ অংশই শাসক শ্ৰেণীৰ প্ৰৰোচনাত এই আন্দোলনক সংকীৰ্ণ জাতীয়তাবাদী আদৰ্শৰ পিনে টানি নিব খুজিছে। ই সুখৰ কথা যে এই মতদৰ্শগত পাৰ্থক্যত বৰ্ত্তমান প্ৰগতিশীল অংশটোৰ প্ৰাধান্যই অধিক। বড়ো ছত্ৰ সন্থাৰ দৰে বৰ্ত্তমান অসমত মিচিং ছাত্ৰ সন্থা, চাহ-বাগিছা জনজাতি ছাত্ৰ সন্থা, নেপালী ছাত্ৰ সন্থা, মুছলিম ছাত্ৰ সন্থা, আদি কিছু সৰু সৰু ছাত্ৰসংগঠনো আছে। অৱশ্যে এইবোৰৰ প্ৰভাৱ অসমৰ ছাত্ৰ-ৰাজনীতিত বিশেষ নাই আৰু অসমত ক্ৰমান্বয়ে শক্তিশালী হৈ অহা প্ৰগতিশীল ছাত্ৰ আন্দোলনে এই সংগঠনসমূহৰ ছাত্ৰসকলক লাহে লাহে বৃহত্তৰ ছাত্ৰসমাজৰ সৈতে একীভূত কৰি আনিছে।

দুই বৃহৎ বিশ্ব শক্তি আমেৰিকা আৰু ৰাছিয়াৰ খোৱা কামোৰাৰ ফলত অসমত বৰ্ত্তমানে যি ঘৃণ্য উগ্ৰজাতীয়বাদে মূৰ দাঙি উঠিছে তাৰ গইনা লৈ অসমৰ ছাত্ৰ ৰাজনীতিত অশুভ পগীয়া তৰাৰ দৰে পাৰত গজা এটা ছাত্ৰ সংগঠন হ'ল অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ। এই ছাত্ৰসংগঠনটোৰ নেতৃত্বই ৰুছ সামাজিক সাম্ৰাজ্যবাদৰ স্বাৰ্থ ৰক্ষা কৰিছে বুলি কিছু বিশেষ ঘটাই প্ৰমানিত কৰে। এই ছাত্ৰ সংগঠনটো অসম জাতীয়তাবাদী দলৰ কৰ্ত্তৃত্বাধীন। বৰ্ত্তমান অসম জাতীয়তাবাদী দলৰ বহুকেইটা লাইখুটা সৌ সিদিনালৈকে ইন্দিৰা কংগ্ৰেছৰ সেৱাদাস আছিল। তদুপৰি যোৱা লোকসভা নিৰ্বাচনত ইন্দিৰা-গান্ধীৰ পৰাজয়ৰ পিচতে অসমৰ ৰাজনৈতিক আকাশত হঠাৎ জাতীয়তাবাদী দলে অৱস্থান ললেহি, এটা বিশেষ মনকৰিব লগীয়া কথা হ'ল অলপতে চিকমাগালুৰত হৈ যোৱা লোকসভাৰ উপনিৰ্বাচনত ইন্দিৰা গান্ধীয়ে যিদিনা জয়লাভ কৰিলে সেইদিনা গুৱাহাটী, গোৰেশ্বৰ আদি ঠাইত জাতীয়তাবাদী দলৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদেও আনন্দত আত্মহাৰা হৈ উঠিছিল, আনকি সেই সন্দৰ্ভত হোৱা মিছিলতো যোগদান কৰিছিল। এই ছাত্ৰ সংগঠনটোৰ প্ৰচাৰিত মতাদৰ্শ কি ধৰা নাযায়। কাৰণ তেওঁলোকে এফালেদি 'অসমীয়া জাতিৰ মুক্তিৰ' কথা কয় আনহাতেদি আকৌ 'শোষিত অৱহেলিত অসমবাসী' কো ঐক্যবদ্ধ হ'বলৈ কয়! তেওঁলোকে মুখত

যিয়েই নকওক কিয় এইটো ধ্ৰুৱাপ যে এই সংগঠনৰ নেতৃত্ব শোষক শ্ৰেণীৰ স্বাৰ্থৰক্ষাকাৰী। প্ৰমানস্বৰূপে অলপ.ত হৈ যোৱা বৃহত্তৰ গুৱাহাটী চিটি বাছ কৰ্মীসকলৰ ধৰ্মঘটত তেওঁলোকে গ্ৰহণ কৰা ভূমিকা। যদিও চিটি বাছ শ্ৰমিকসকলৰ প্ৰায় পচান্নবৈ ভাগেই আছিল অসমীয়া আনহাতেদি মালিকবোৰৰ শতকৰা প্ৰায় পয়সত্তৰ ভাগহে আছিল অসমীয়া তথাপি জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে মালিকহঁতৰ পক্ষলৈ অত্যন্ত জঘণ্যভাৱে এই ধৰ্মঘট ভাঙি দিলে। ঠিক তেনেদৰে গুৱাহাটীৰ ৰ'লাৰ ফ্লাৱৰ মিলত শ্ৰমিকসকলে কৰা আন্দোলন অসম-জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বই ভাঙি মাৰোৱাৰী মালিকসকলৰ পক্ষ লৈ লজ্জাহীন ভাৱে ভাঙি দিলে। এই ছাত্ৰ সংগঠনটোৰ নেতৃত্ব যে ৰুছ সামাজিক সাম্ৰাজ্যবাদৰ ছত্ৰছায়াত আছে তাৰ প্ৰমাণ হ'ল অসমীয়া অসমীয়া বুলি দিনে ৰাতি ৰাওচি জুৰা এই নেতৃত্বই যেতিয়া গম পালে যে অসম-নাগালেণ্ড সীমান্তত যি বৰ্বৰ গণহত্যা হ'ল তাৰ অন্তৰালত ৰুছ সামাজিক সাম্ৰাজ্যবাদৰ হাত আছে তেতিয়া প্ৰথম দুদিনমান সাধাৰণ সদস্যসকলৰ চকুত ধুলি মাৰিবলৈ দুই এটা 'গৰম' বিবৃতি দি হঠাৎ তেওঁলোক তাপ মাৰিল। তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য হ'ল অসমত এক ঘৃণ্য জাতীয়তাবাদৰ জন্ম দি জাত-ভিত্তিক সংঘৰ্ষৰ জৰিয়তে এফালেদি জনগণক বিভক্ত কৰি শ্ৰেণী সংগ্ৰামক ব্যাহত কৰা আৰু আনফালেদি বৰ্ত্তমান অসমত দ্বিতীয় বিশ্বৰ সাম্ৰাজ্যবাদী শক্তিৰ স্বাৰ্থৰ অনুকুলে থকা প্ৰতিষ্ঠিত চৰকাৰক ওফৰাই ৰুছ সাম্ৰাজ্যবাদে যাতে অসমৰ ৰাষ্ট্ৰযন্ত্ৰ পুনৰ দখল কৰিব পাৰে তাৰ পথ সুগম কৰাটো। কাৰণ বৰ্ত্তমান অসমত যদি আন এক মধ্যৱৰ্ত্তীকালীন নিৰ্ব্বাচন পাতিবলগীয়া হয় তেতিয়া যে ৰুছ সামাজিক সাম্ৰাজাবাদৰ সেৱাদাস ইন্দিৰা-পন্থীবোৰেই বিশেষ সুবিধা কৰি ল'ব পাৰিব তাৰ প্ৰমাণ অলপতে হৈ যোৱা পাঞ্চায়ত নিৰ্ব্বাচন। ইয়াত জয়লাভ কৰা তথাকথিত নিৰ্দলীয়ৰ অধিকাংশই এই ফেছীবাদী চক্ৰৰ অংশবিশেষ। অসমীয়া জাতিৰ বৃহত্তৰ স্বাৰ্থলৈ লক্ষ্য ৰাখি, অসমৰ ছাত্ৰ সমাজৰ, বৈপ্লৱিক আন্দোলনলৈ লক্ষ্য ৰাখি দেশপ্ৰেম তথা গণতন্ত্ৰৰ স্বাৰ্থত এই উগ্ৰ জাতীয়তাবাদী চক্ৰান্তক শীঘ্ৰেই নিৰ্ম্মূল কৰাটো অসমৰ প্ৰত্যেকজন সচেতন ছাত্ৰ-ছাত্ৰীৰ এৰাবনোৱাৰা দায়িত্ব আৰু কৰ্ত্তব্য। ই অতি সুখৰ কথা যে ইতিমধ্যে অসমৰ ছাত্ৰসমাজত এই সুস্থ প্ৰক্ৰিয়া আৰম্ভ হৈছেই আৰু আমি আশা ৰাখিছো অনতিপলমে ই সমগ্ৰ অসমৰ ছাত্ৰসমাজত বিয়পি পৰি অসমীয়া জাতিৰ মূল শত্ৰু এই উগ্ৰজাতীয়তাবাদক অবিচৰেই কবৰ দিব।

অসমৰ ছাত্ৰ আন্দোলনত এক বিশেষ তাৎপৰ্য পূৰ্ণ বছৰ হ'ল উনৈশ শ' আঠসত্তৰ চন। ফেচীবাদী ইন্দিৰাচক্ৰৰ বিৰুদ্ধে ভাৰতীয় জনগণে যি মহান গণসংগ্ৰামৰ ঢৌ সমগ্ৰ দেশজুৰি তুলিছিল সেই শুভক্ষণতেই অসমৰ ছাত্ৰসমাজত এক নতুন প্ৰকৃত দেশপ্ৰেমিক আৰু গণতান্ত্ৰিক বিপ্লৱী ছাত্ৰ সংগঠনৰ জন্ম হ'ল। এই সংগঠনটোৰ নাম ইউনাইটেড ষ্টুডেণ্টছ্ ফেডাৰেচন (সংযুক্ত ছাত্ৰ সন্মিলন)। ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক ব্যৱস্থাক আধাসামন্ততান্ত্ৰিক আধা উপনিবেশিক বুলি বিজ্ঞান-সন্মতভাৱে এই ছাত্ৰ সংগঠনটোৱে ব্যাখ্যা দিছে আৰু এই কদৰ্য্য ব্যৱস্থাক ধ্বংস কৰি এখন শোষণমুক্ত ভাৰতবৰ্ষ গঢ়ি তুলিবলৈ। এক ব্যাপক দেশপ্ৰেমিক আৰু গণতান্ত্ৰিক আন্দোলনৰ সৃষ্টি কৰিবলৈ ই জন্ম লগ্নৰে পৰা সকলো ধৰণৰ প্ৰচেষ্টা হাতত লৈছে আৰু নিজৰ বৈপ্লৱিক অস্তিত্বক জনগণৰ সন্মুখত দাঙি ধৰিবলৈ সক্ষম হৈছে। শ্ৰমিক কৃষক ছাত্ৰ-যুৱক-মধ্যবিত্তৰ ঐক্যৰ কথা মাথোন মুখত ফুলজাৰি নামাৰি ইউনাইটেড ষ্টুডেন্টচ্ ফেডাৰেচনে তেওঁলোকৰ সকলোধৰণৰ দেশপ্ৰেমিক-গণতান্ত্ৰিক আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহন কৰিছে। উদাহৰণস্বৰূপে ইউ,এছ,এফৰ, গুৱাহাটী শাখাই সদৌ অসম চলচ্চিত্ৰ প্ৰতিনিধি সন্থাৰ আন্দোলন, জি,এল, ইণ্ডাষ্ট্ৰি শ্ৰমিক সন্থাৰ আন্দোলন, ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ কৰ্ম্মী সংঘৰ

OKDISCD

আন্দোলন, আই, টি,আই প্ৰশিক্ষাৰ্থীৰ আন্দোলন, অশোক বিড়ি ফেক্টৰী শ্ৰমিক আন্দোলন, বৃহত্তৰ গুৱাহাটী 'চিটিবাছ' শ্ৰমিক সন্থাৰ আন্দোলন আদিত সক্ৰিয় অংশ গ্ৰহণ কৰি শ্ৰমিক আন্দোলনত ছাত্ৰৰ বিপ্লৱী ভূমিকাৰ এক জলন্ত উদাহৰণ প্ৰতিস্থা কৰিলো। ঠিক তেনেদৰে অসমৰ বিভিন্ন অঞ্চলত বৰ্ত্তমান গঢ়ি উঠা কৃষক আন্দোলন, শ্ৰমিক আন্দোলন, মধ্যবিত্তৰ আন্দোলন আদিত ইউ,এছ,এফ,ৰ বিভিন্ন শাখাই বৈপ্লৱীক অংশ গ্ৰহণৰ উজ্জল দৃষ্টান্ত দাঙি ধৰিব পৰিছে। এছ,এফ,আই ৰ দৰে এক বিচ্ছিন্নতাবাদী মনোভাৱ নলৈ ইউ,এছ,এফ,এ গণতান্ত্ৰিক দাবীৰ ভিত্তিত আন ছাত্ৰসংগঠনবোৰে যি আন্দোলনৰ বাবে আহ্বান দিছে সেই আন্দোলন সমূহতো ঐক্যবদ্ধ হৈছে। আনহাতেদি আন ছাত্ৰসংগঠনবোৰৰ জনস্বাৰ্থ-বিৰোধী, শ্ৰেণীসংগ্ৰামত বাধাৰ সৃষ্টিকাৰী কাৰ্য্য-কলাপৰ বিৰুদ্ধে বলিষ্ঠভাৱে সংগ্ৰাম চলাই গৈছে। এনেকৈয়ে ইউ,এছ,এফ,এ বৃহত্তৰ জনগণৰ স্বাৰ্থত আন সংগঠন সমূহৰ লগত এক সুস্থ ঐক্য আৰু সংগ্ৰামৰ নীতিক মানি চলিছে। সকলো ধৰণৰ গণতান্ত্ৰিক তথা দেশপ্ৰেমিক আন্দোলন সংহতকৰণৰ ক্ষেত্ৰত এই সংগঠনটোৰ অৱদান অনন্য। আমেৰিকান সাম্ৰাজ্যবাদ আৰু ৰুছ সামাজিক সাম্ৰাজ্যবাদীহঁতৰ কু-চক্ৰান্তত গঢ়ি উঠা ঘৃণনীয় উগ্ৰজাতীয়তাবাদৰ বিৰুদ্ধে জনগণক সচেতন আৰু জাগ্ৰত কৰিবলৈ মিছিল, জনসভা, পথসভা, দেৱাল-লিখনী, পষ্টাৰিং আদিৰ ব্যৱস্থা কৰি এই সন্দৰ্ভত এটা অতি স্পষ্ট, বিজ্ঞানসন্মত অভিমত উপস্থাপন কৰিবলৈ সক্ষম হৈছে। এই সংগঠনটোৰ্ত এটা লক্ষণীয় দিশ হ'ল ইয়াত কোনোধৰণৰ আমোলাতান্ত্ৰিক কেন্দ্ৰিকতাই স্থান পোৱা নাই। নীতিবিষয়ক প্ৰত্যেকটো কথাতেই সাধাৰণ সদস্যসকলৰ মাজত এক সজীৱ বিতৰ্কৰ সৃষ্টি কৰি সংখ্যাগৰিষ্ঠৰ মতামতক সকলোৱে একনিষ্ঠভাৱে গ্ৰহণ কৰাৰ প্ৰচেষ্টা ইয়াত দেখা যায়। অৱশ্যে ইও সঁচা যে সংগঠনটো যিহেতু তেনেই চালুকীয়া সেয়েহে কেতিয়াবা হয়তো অজানিতেই সংগঠনত উগ্ৰগণতন্ত্ৰই দেখা দিয়ে। আমি ইউ,এছ,এফ, ৰ সকলো বন্ধুবৰ্গ লৈ একান্তভাৱে আহ্বান জনাওঁ তেখেতসকলে যেন এই ব্যাধিদুটাৰ প্ৰতি অত্যন্ত সজাগ হৈ থাকে আৰু এক সুস্থ মতাদৰ্শগত সংগ্ৰামৰ জৰিয়তে ইয়াক সম্পুৰ্ণৰূপে নিৰ্ম্মূল কৰে। ইউ,এছ,এফ,ৰ সদস্যসকলে একাগ্ৰচিত্তে অসমৰ ছাত্ৰসমাজত সঠিক মতাদৰ্শৰ ভিত্তিত যি সুস্থ তীব্ৰ ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰিছে এই বিতৰ্কই অতি কম সময়ৰ ভিতৰতে এই ছাত্ৰ সংগঠনটোক অসমৰ ছাত্ৰসমাজৰ মাজত অধিক জনপ্ৰিয় কৰি তুলিছে আৰু যাৰ ফলত এফালেদি নব্য সংশোধনবাদী তথা সুবিধাবাদী তথাকথিত বাম ছাত্ৰসংগঠনবোৰৰ মুখা খুলি আহিছে আনফালেদি প্ৰতিক্ৰিয়াশীল শিবিৰো সচকিত হৈ উঠিছে। ই অতি গৰ্ব্বৰ কথা যে যদিও এই ছাত্ৰসংগঠনটোৰ বয়স এবছৰ পূৰ হওঁ নহওঁ তথাপি ই আজি অসমৰ ছাত্ৰসমাজত বহুলভাৱে প্ৰতিষ্ঠিত গণতান্ত্ৰিক তথা দেশপ্ৰেমিক ছাত্ৰসংগঠন। অসমৰ বৰ্ত্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত অসমৰ উদ্যোগীকৰণ স্বাৰ্থত আমূল ভুমি সংস্কাৰ, সকলো বিদেশী পুঁজিৰ বাজেয়াপ্তকৰন, কেন্দ্ৰলৈ প্ৰেৰিত ৰাজহ অহা দহ বছৰলৈ পঠোৱা বন্ধ কৰি সেই ৰাহি পুঁজি অসমৰ উদ্যোগীকৰণত বিনিয়োগ সকলো ধৰণৰ উগ্ৰজাতীয়তাবাদ আৰু সাম্প্ৰদায়িকতাবাদৰ বিৰোধিতা, মুছলমানকে ধৰি সকলো সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত চলোৱা নিপীড়নৰ বন্ধৰ দাবী, সুলভ মুল্যত পাঠ্য-পুথিৰ যোগান, ভাৰতীয় নাগৰিকক বিদেশী বুলি দেশৰ পৰা বহিস্কাৰ কৰাৰ বন্ধৰ দাবী আদি অতি জনপ্ৰিয় আশু দাবীৰ বিত্তিত সংগাম গঢ়ি তুলি ইয়াৰ বিপ্লৱী প্ৰভাৱ বিজুলীৰ গতিত অসমৰ চৌদিশে বিয়পাই দিছে। আমি আশা কৰিছো ইউ,এছ,এফ,ৰ সকলো সদস্যই প্ৰকৃত গণতান্ত্ৰিক আৰু দেশপ্ৰেমিক ছাত্ৰ-ছাত্ৰীৰ ভূমিকা লৈ সঠিক মতাদৰ্শৰ ভিত্তিত সমগ্ৰ প্ৰদেশ জুৰি বিপ্লৱী গণসংগ্ৰামৰ ঢৌ অসমৰ ছাত্ৰসমাজ আৰু সাধাৰণ জনগণৰ মাজত বিয়পাই দি এক মহান জনজাগৰণৰ সৃষ্টি অচিৰেই কৰিব যি জোৱাৰে অনুপ্ৰাণিত কৰিব ভাৰতৰ আন প্ৰদেশসমূহৰ ছাত্ৰ-সমাজ আৰু সাধাৰণ জনগণক আৰু যি জোৱাৰত উটি ভাঁহি যাব ভাৰতৰ বৰ্ত্তমানৰ কদৰ্য্য আধা-সামন্ততান্ত্ৰিক-আধা উপনিবেশিক সমাজ ব্যৱস্থা, প্ৰতিষ্ঠিত হব এখন শোষণযুক্ত ভাৰতবৰ্ষ য'ত আন সাধাৰণ জনগণৰ লগতে আজিৰ প্ৰত্যেকজন ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে নিজৰ জীৱনক সুন্দৰভাৱে গঢ়াৰ সকলো সুবিধা পাব। ●●

# কিতাপ সম্পৰ্কে

—মাক্সিম গৰ্কী

এই কিতাপখনৰ বাবে আপুনি পাতনি এটা লিখি দিবলৈ কৈছে যদিও মই সিমান ভাল পাতনি লিখোতা নহওঁ। কিন্তু এনে এটা ভাল সুযোগ মই এৰিব নোৱাৰো। গতিকে সাধাৰণ ভাৱে কিতাপ সম্পৰ্কে থকা মোৰ ধাৰণাৰ বিষয়ে দুটা-মান কথা কোৱাৰ এই সুযোগ মই লব খুজিছো।

মোৰ গাত যিখিনি 'ভাল' আছে, সেই সকলোখিনিৰ বাবে মই কিতাপৰ ওচৰতে ঋণী। আনকি তৰুণ হৈ থাকোতেও মই অনুভৱ কৰিছিলো মানুহতকৈ শিল্প কলাহে অধিক উদাৰ। মই এজন কিতাপ প্ৰেমী ; মোৰ বাবে প্ৰত্যেকখন কিতাপেই এক যাদু আৰু প্ৰতিজন লিখকেই এজন যাদুকৰ। গভীৰতম আৱেগ আৰু উল্লাসিত উৎসাহেৰে কোৱাৰ বাহিৰে আন প্ৰকাৰে মই কিতাপৰ বিষয়ে কবলৈ অক্ষম। এই কথা দেখাত হাস্যকৰ যেন লাগিব পাৰে, কিন্তু ইয়েই সত্য। বোধহয় এই বুলি কোৱা হব যে ই এক বৰ্বৰৰ উৎসাহ। লোকে যি ইচ্ছা কব পাৰে—মই সেই কথা মানিব নোৱাৰো।

নিজ পথত বীৰ স্বৰূপ লিপিসাজক এজনে আন এজন বীৰৰ আৱিষ্কাৰৰ সহায়ত ছপাশালত সৃষ্টি কৰা নতুন কিতাপ এখন হাতত ললে মোৰ এনে এক অনুভূতি জন্মে যেন কিবা এক জীৱন্ত, বিস্ময়কৰ আৰু মোৰ সৈতে কথা কব পৰা বস্তু এটা মোৰ জীৱনত প্ৰৱেশ কৰিছে। সেই বস্তুটো এক নতুন দলিল। বিশ্বৰ আন যিকোনো বস্তুতকৈ জটিল এক জীৱ, সবাতোকৈ ৰহস্যময়ী আৰু ভালপোৱাৰ যোগ্য, এক জীৱ যাৰ শ্ৰম আৰু কল্পনাই জাকজমকতা আৰু সৌন্দৰ্য্যৰে ভৰা বিশ্বৰ সকলো বস্তু সৃষ্টি কৰিছে—সেই মানুহে নিজেই নিজৰ বিষয়ে লিখা এক দলিল।

মই খুব ভালদৰেই জানো যে কিতাপেই মোক জীৱনৰ মাজেৰে বাট দেখুৱাই লৈ যায়। কিন্তু মই আগতে নজনা বা মানুহৰ মাজত লক্ষ্য নকৰা নতুন কিবা এটা কোৱাৰ সিহঁতৰ নিজস্ব ভঙ্গী আছে। গোটেই কিতাপখনত হয়তো একেটা মাথোন ফলপ্ৰসূ বাক্যৰ বাহিৰে আন একো নাথাকিব পাৰে। কিন্তু সেই একেটা বাক্যই পাঠকক মানুহ এজনৰ তেনেই ওচৰলৈ লৈ যাব পাৰে আৰু এক নতুন মিচিকীয়া হাঁহি বা বিকৃত মুখভঙ্গী প্ৰকাশ কৰিব পাৰে।

নক্ষত্ৰ ৰাজ্যৰ বিশালতা, বিশ্বৰ সঙ্গতিপূৰ্ণ প্ৰক্ৰিয়া আৰু বিশ্বতত্বৰ সকলো বাঙময় উদ্ভাৱনে মোক বিচলিত নকৰে অথবা মোৰ উৎসাহ জগাব নোৱাৰে। মোৰ ধাৰণা এয়ে যে জ্যোতিৰ্বিদসকলে ভবাৰ দৰে বিশ্বব্ৰহ্মাণ্ড একেবাৰেই আশ্চৰ্য্যজনক নহয় আৰু নক্ষত্ৰসমূহৰ জন্ম আৰু ধ্বংসত স্বৰ্গীয় সঙ্গতিতকৈ সীমাহীন ভাৱে বেছি অৰ্থহীন বিশৃঙ্খলা আছেঁ।

হাতীপটীৰ কোনোবা অসীমত কোনো এক নক্ষত্ৰ নিচিহ্ন হ'ল আৰু তাৰ ওচৰে পাজৰে থকা গ্ৰহবোৰ অনন্ত নিশাত ডুব গ'ল। সেই ঘটনাই মোক একেবাৰে বিচলিত নকৰে। কিন্তু এক জাকতজিলিকা কল্পনাৰ অধিকাৰী কেমিল ফ্লেমাৰিওনৰ মৃত্যুৱে মোক গভীৰ শোক দিছিল।

আমাৰ চকুত পৰা সকলো সুন্দৰ আৰু ধুনীয়া বস্তু মানুহৰ দ্বাৰা সৃষ্ট বা বৰ্ণিত হৈছে। এইটো পৰিতাপৰ কথা যে মানুহে প্ৰায়ে যন্ত্ৰণাও সৃষ্টি কৰিব লগা হৈছিল আৰু দস্তয়েৱস্কি, বড-লেয়াৰ আৰু আন কিছুমানে কৰাৰ দৰে তাক উচ্চতৰ পৰ্যায়লৈ নিয়া হৈছে। আনকি ইয়াতো মই জীৱনৰ কৰ্কশ আৰু ঘৃণনীয় ফালটো সুশোভিত আৰু উপশম কৰাৰ এক আকাঙ্খা দেখো।

OKDISCD

আমাৰ চৌদিশ আৱঁৰি থকা আৰু আমাৰ প্ৰতি শত্ৰুভাৱাপন্ন প্ৰকৃতিত কোনো সৌন্দৰ্য্য নাই। সৌন্দৰ্য্য হ'ল মানুহে নিজেই আত্মাৰ গভীৰৰ পৰা সৃষ্টি কৰা এটা বস্তু। এইদৰে ফিন্‌লেণ্ড-বাসীয়ে তেওঁলোকৰ জলাহ, হাবি, আৰু তাক-ৰীয়া, বাওনা গছ-গছনিৰে ভৰা মামৰ ৰঙৰ গ্ৰেণাইট শিলবোৰক সৌন্দৰ্য্যৰ পটলৈ ৰূপান্তৰিত কৰে। আৰু আৰববাসীয়ে নিজকে প্ৰত্যয় নিয়াই যে মৰুভূমি বিতোপন। সৌন্দৰ্য্যৰ জন্ম হয় মানুহে ইয়াক চিন্তা কৰিবলৈ লোৱা চেষ্টাৰ ফলত। বিশৃঙ্খল আৰু জোঙা জোঙা পৰ্ব্বতমালাত মই আনন্দ নাপাওঁ। আনন্দ পাওঁ মানুহে তাক ভূষিত কৰা শোভাতহে। যি স্বচ্ছন্দতা আৰু মহানুভৱতাৰে মানুহে প্ৰকৃতিলৈ পৰিৱৰ্তন আনিছে তাক মোৰ সশ্ৰদ্ধ প্ৰণাম জনাও। বিষয়টো ভালদৰে ভাবি চালে, কোনোপধ্যে আৰামদায়কভাৱে বাস-পোযোগী নোহোৱা এই পৃথিবীৰ প্ৰাণীৰ বাবে এই মহানুভৱতা অধিক বেছি আশ্চৰ্যজনক। ভূমিকম্প, ঘূৰ্ণীবতাহ, বৰফধুমুহা, বানপানী, চৰম জহ আৰু শীত, বিষাক্ত কীট-পতঙ্গ আৰু জীৱানু তদুপৰি মানুহ আজিৰ দৰে বীৰ নোহোৱাহেঁতেন জীৱন একেবাৰে অসহনীয় কৰি তুলিব পৰা আন এশ এটা বস্তুৰ কথা ভবা যাওকচোন।

সদায়, সৰ্ব্বত্ৰ আমাৰ অস্তিত্ব কৰুণ। কিন্তু মানুহে সেই অসংখ্য কৰুণ ঘটনাক কলা-কীৰ্ত্তিলৈ পৰিৱৰ্তন কৰিছে। এই পৰিৱৰ্তনত কৈ আন কিবা অধিক আশ্চৰ্য্যজনক বা বিস্ময়কৰ কথা আছে বুলি মই নাভাবো। সেয়েহে তৰাল শীতল তিৰবিৰণি, মহাসাগৰৰ যান্ত্ৰিক লয়, অৰণ্যৰ সোঁ-সোৱনি বা জনপ্ৰাণীহীন কোনো ঠাইৰ নীৰৱতাতকৈ পুস্কিনৰ এক কবিতাৰ পুথিত ফ্লবেয়াৰৰ এখন উপন্যাসত মই অধিক বাস্তৱ জ্ঞান আৰু জীয়া সৌন্দৰ্য্য পাওঁ।

জনপ্ৰাণীহীন কোনো ঠাইৰ নীৰৱতা? ৰাণ্যাৰ সঙ্গীত স্ৰষ্টা বৰডিনে তেওঁৰ কোনো এক সৃষ্টিৰ দ্বাৰা ইয়াক শক্তিশালীভাৱে প্ৰেৰণ কৰিছে। উত্তৰ মেৰুৰ প্ৰভা? হুইটলাৰৰ (Whistler) চিত্ৰসমূহকহে মই অগ্ৰাধিকাৰ দিও। জন ৰাস্কিনে যেতিয়া কৈছিল যে টাৰ্ণাৰৰ পাছতহে ইংলণ্ডৰ সূৰ্য্যাস্ত বেছি ধুনীয়া হৈছিল, তেও এক গভীৰ সত্য ঘোষণা কৰিছিল। আকাশৰ তৰাবোৰ যদি আৰু ডাঙৰ, উজ্জ্বলতৰ আৰু অধিক নিকট হ'লহেঁতেন, মই আমাৰ আকাশখনৰ বেছি ভাল পালোহেঁতেন। বাস্তৱতে জ্যোতিৰ্বিদসকলে তৰাবোৰৰ বিষয়ে আমাক অধিক কবলৈ ধৰাৰ দিনৰ পৰাই সিবোৰ আমাৰ বাবে বেছি ধুনীয়া হৈ পৰিছে। মই বাস কৰা পৃথিৱীখন সৰু সৰু হেমলেট, অথেলো ৰোমিও, গ'ৰিয়ট, কাৰামাঝৱ, মিঃ ডম্বে, ডেৱিদ কপাৰফিল্ড, মাড্যম বভাৰী, মেনন লেচকট, আনা, কেৰেনিনা, ডনকুইক্সোট আৰু ডন জুৱানৰ পৃথিৱী। এনেকুৱা তুচ্ছ প্ৰাণীবোৰৰ মাজৰ পৰাই, আমাৰ নিচিনা বোৰৰ পৰাই কবিসকলে গুৰুগম্ভীৰ চৰিত্ৰ সৃষ্টি কৰিছে আৰু সেইবোৰ কৰি তুলিছে অমৰ।

আমি এনে এক পৃথিৱীত আছো যত বিজ্ঞানী আৰু পণ্ডিতসকলে মানুহৰ বিষয়ে লিখা কিতাপ নপঢ়িলে মানুহক বুজা নাযায়। ফ্লবেয়াৰৰ Un Coeur simple মোৰ বাবে দেৱবাণীৰ দৰেই মূল্যবান; নুট হামচুনৰ Land stryhere (Growth of the soil) ওডিছী মহাকাব্যৰ সমানেই মোক বিনিত কৰে। মই নিশ্চিত যে মোৰ নাতি-নাতিহঁতে ৰঁমা ৰঁলাৰ gean chritophe কিতা-পখন পঢ়িব আৰু লিখকৰ হৃদয় আৰু মনৰ বিশালতাত, তেওঁৰ মানৱ জাতিৰ প্ৰতি থকা প্ৰেমক শ্ৰদ্ধাৰে মূৰ দোৱাব।

মই ভালদৰেই জানো যে এই ধৰণৰ প্ৰেম আজি-কালি ফেছনৰ বহিৰ্ভূত বুলি ভবা হয়। কিন্তু তাতে তাৰ কি? হাস নোহোৱাকৈয়ে ই জীয়াই আছে আৰু ইয়াৰ আনন্দ আৰু বেদনাতে আমি জীয়াই আছো।

মই আনকি ভাবো যে এই প্ৰেম আগতকৈও বেছি শক্তিশালী আৰু বেছি সচেতন হৈ বাঢ়ি আহিছে। এফালে ই তাৰ প্ৰকাশসমূহক এক ধৰণৰ সংযম আৰু অভিজ্ঞতাবাদ দিছে যদিও ই কোনো-পধ্যেই, জীৱনৰ বাবে সংগ্ৰাম ইমান তিক্ত হোৱা আমাৰ যুগত সেই ভাৱপ্ৰৱণতাৰ অযৌক্তিকতা নকমায়!

মানুহৰ বাহিৰে আন কোনো বিষয়ৰে জনাৰ মোৰ ইচ্ছা নাই। মানুহৰ কাষ চাপি যাবৰ বাবে কিতাপ হ'ল মিত্ৰভাৱাপন্ন, দয়ালু পথ প্ৰদৰ্শক। বিশ্বৰসকলো সুন্দৰ আৰু মহান বস্তুৰ সৃষ্টি কৰ্ত্তা, অনাড়ম্বৰ বীৰ সকলৰ প্ৰতি মোৰ এক সৰ্বদা গভীৰ শ্ৰদ্ধা আছে।

অনুঃ গৌতম কুমাৰ বৰা

OKDISCD

# Women In Our Society

—Gayatri

Perhaps you are an ordinary house wife The best of your whole day in the kitchen chopping vegetables, stirring pots and pans in a dark corner over a smoky fire, washing vessel after vessel in a seemingly never ending line. You look after the children too—cleaning them, feeding them, helping them with their homework. You mend your husband's clothes, and serve him well in other respects too, don't you ? Sometimes, perhaps you go to the bazar to buy the rations, and there you cover your head and walk carefully, because there are men looking obscenely at you. When you come back, frightened every time by the bustling, powerful beat of the public life, you are perhaps glad to remain within the four walls of your home.

Perhaps you are an ordinary (girl) student, coming out into a world which amazes and entrances you, you want to know more and explore further.

Ah, but then you are rudely awakened to the reality that you are a woman in this society. Women do not participate in activities, do they ? Perhaps in two or three years time, your father may scrape up enough to buy himself a son-in-law and you are packed off to your purchased companion.

Perhaps you know a woman who works in a farm or in a factory. Working under appalling conditions not knowing where the next meal of the family will come from hearing her baby cry for his mother because he has no one to look after him, but not being able to answer to his pitiful calls--the cruel employer is nearby. She probably works with men and after a full day's work has the dubious satisfication of knowing that she has earned less than half the man next to her, both having done equal work.

Perhaps you are also aware of the exploited state in which the majority of your countrywomen live, over 87% of them cannot, read write or count, and less than 62% of the girls go to primary School today- You are aware of the dowry system which is prohibited by law, but which runs on merrily like the other evils in this country. You are aware of the extent of the prostitution which degrades both men and women (and exposes the Govt. that has legalised it). You are aware of the pardah which characterises the extreme seclusion of women from public life; you are aware that the majority of Indian women workers are denied the right of equal work. You are aware of the hundreds of other evils that plague the Indian woman and society.

There is much confusion about the ideas of the equality of women. Some people say that women are inferior, that their place is in the home, that they had better stay there. Some others say that the Indian women are not bold like western women—that the concepts of Sita and Savitri

are "enshrined" in the hearts of Indian women. This in itself is a false concept. Yes, the Indian women have been brainwashed into accepting the concepts of Sita and Savitri, but they have never truly accepted it. Many women have taken part in democratic struggles all over the country. Women are also rebelling against cruel traditions and oppressive customs. The concepts of Sita & Savitri are slowly breaking down. But then how emancipated are the western women? They may smoke, dance and date freely, but are they an influential force in their country? Are they encouraged to work for their own living? Can they rise in public life? Are they *Real* women? Clearly, the answer to all these is—No! The western woman is not emancipated—she is a doll who has to follow a fixed feminine stereotype.

Then what is the reason for the oppressed state of women in both the West and India?

## Econmic Dependence :

The answer lies quite simply in the fact that most women do not possess economic independence. Even if they work outside, it is only as an auxiliary source of income for the family. The ageold economic dependence on man is the base of all sexual, social, cultural, and politcal domination. How often have we heard next-door aunty moaning that if she didn't have to depend her husband for her food, shelter and clothing, she would walkout on him the next moment.

But this seems funny. Men earn wages because they work because they sell their labour power. But don't women also? The long, arduous work they put in at home isn't that labour? Of course, it is. It is a direct ( because the product is consumed without any exchange process ) and private ( because the work in each family is highly individualized ) labour power. Then why is it not recognized? Why is it that our mothers do not have the same position in society as our fathers? The answer lies in history.

## Division of Labour :

Several thousand years ago, you may be aware that life in primitive society was communal ( collective ) one. Everyone worked - the women in the great communal households, and the men at hunting and fishing chores. There was of course, no such thing as marriage, and men and women loved each other freely. Nobody owned property - everyone was equal. But then slowly with the development of more advanced techniques of food gathering, which devolved on the men; with the domestication of animals, and the discovery of agriculture, the concept of private property slowly took root among the men who were the owners of the hunting and food-gathering tools.

The equal status of women which was determined by the value of their, then equally necessary, collective productive labour, was slowly undermined by the breakdown of the collective economic base of society. This slowly gave way to the patriarchal family. How? The man who originally hunted, but now possessed tools, land and animals, wished of course to pass it on to his *own* son. Hence the selfish private property instinct gave rise to the concept of monogamous marriage, and from there to the historical defeat of women.

So, now we know how the oppression originated. Excluded from the world of productive labour giving rise to economically visible objects, the women became the in-

OKDISCD

visible workers whose work would not be valued. This slavery of woman ( slavery by the definition of modern economists= the power of disposing of the labour power of others ) has remained intact since those times. Under the present system of Capitalism and Feudalism in many parts of the globe, the so-called democracy is not for the woman also—she is the slave at home.

## The Ideology of oppression :

The concepts of private property and the division of labour is the econbmie base. But how the oppressors justify these ? An ideology has hence been manufactured to serve as the superstructure of oppression. Just as Slavery, Imperialism, and Faseism gave rise to innumerable pseudo-scientific theories intended to demons.rate the inferiority of oppressed peoples and to justfy genocide, an impressive number of theories have been designed and implemented to keep women "in their place".

If for a moment even, you were able to free yourself from all the prejudices and distorted personal experiences which have formed your ideology of sex, you would recognize that the sex stereotype is not due to basic biological differences, but due to the thousands of years in which the division of labour has prevailed and men and women conditioned to this ideology of male supremacy.

Confined to the narrow limits of the home, the girlcild receives pots, pans, dolls, mirrors, etc. as toys. Why is she not given a gun or a carpentary set like her brother ? She is brought up to appreciate frilly fripperies, and jewels, to learn the art of housekeeping, and to prepare for marriage. She is taugh that clinging tenderness, meekness, decorativeness and a pathological fear of independence are feminine, and she is molded in these feminine forms. Pictured in advertisements, books, journals and films as a sex symbol, she is further degraded. Romantic novels further misguide the growing girls and strengthen the concepts of tenderness, meekness and frailty as an integral part of feminity. Is it any wonder today then that women behave nearly always as they are supposed to ?

In this context, you might now understand that the man is also dictated to by the male sex model. Always pressed on to express his masculinity by aggressiveness and toughness alone, boys also grow up to be unnatural human beings—stunted in one facet and exaggerated in the other.

So now you are aware of the forms of the oppression of women and how it arose. But then what is the path to emancipation ? There is no fixed model of solution, but the one thing we must remember is that any solution for the emancipation of an oppressed strata of society -say women, must be radical and universal. Radical because it must hit at the root cause of oppression (in this case, the division of labour ) and must never stop at reforms. And universal—because it must encompass genuinely the masses of women-never remain as an isolated middle-class phenomenen like the Women's Liberation Movement in the West.

## Path to Emancipation :

Since we have pinpointed the division of labour as the main cause for the oppression of women, its removal would be the main solution too. How would we remove the division of labour between the sexes ? In two stages :

## Stage I : Re-entry into Social Labour :

The first condition for the emancipation of women is to bring the whole Female sex back into social production. For the majority of women already in social production, the dignity of labour should be restored. Yes, old grannies will disapprove vehemently and the men may oppose it, in these days of chronic unemployment and under-employment, if women join the labour force, the result will be the apparent swelling of the ranks of the unemployed among men. But should we blame the women and ask her to go back home, or should we look to the basic defect of the capitalist and feudal system in which we are living today—the capitalism that thrives on unemployment ? (Refer to article No-2 ) No, the answer to a serious problem must be a redical one and once having joined the ranks of the proletariat, the women must fight shoulder to shoulder with men for the end of the exploitation of the working class.

Hence, here itself, we can see that only socialist society can truly emancipate women.

## Stage II : Socialisation of household work :

When the women come out of their narrow, individualized spheres of labour, and take part in social production and thus become economically independent, what will happen to their work at home ? Of course, she connot be expected to work two shifts—one in the factory and one at home ! Can she then continue to be a domestic slave ? "Petty housework crushes, strangles, stultifies and degrads her, chains her to the kitchen and the nursery" and she wastes her labour on barbarously unproductive and crushing drudgery. The real emancipation of women will begin when all out struggle begins against this house keeping and socializes it. they—care child centres, restaurants (not for the rich, but for the masses) nurseries, laundries—here we have examples of socilized, non-profit making enterprises which can liberate women. But in underdeveloped countries like India, limited economic resources make total socialization of domestic work impossible Hence men should share the housework, thus enabling the women to work. All these changes require a radical change in the ideology in the everyday thinking of the people which has been deeply corrupted by the idea of male supremacy.

In this context, you must be particularly careful to differentiate between reformist ideas and ideas which will lead to true emancipation. Starting Mahila Sabha and rehabilitating prostitutions will not solve the problem. Side by side we must fight the people who deceive us with talk of feminine virtue and frailty. Our upper-class revivalists are especially loud in singing the praises of domestic labour. But they are the very people who drive cheap women's labour into factories. The leaders in Gujarat for example who act as touts for the capitalists condone the brutal usage of women even pregnat women as heavy cart-pullers. But these are the very people who shut their wives and sisters at homes or at the most allow them to come out, in pearls and chiffon, to dispense sweets to slum children or take about rehabilitating prostitutes.

OKDISCD

## The womens Movement As Part Of The General Movement:

We must understand and appreciate that the struggle for women's emancipation is closely linked with the division of labour, is closely linked with private property. Hence this movement must be part of a general mass movement for the abolition of all exploitation and domination, for socialism. It is clear too from a look around the world today, that the countries where women are going the right direction towards their emancipation, are the socialist countries.

Socialism is the path to the emancipation of women because :

a) it is instrumental in providing jobs for the whole female sex,

b) it is instrumental for creating non-profitmaking, socialized enterprises that destroy household drudgery.

c) it is instrumental in the destruction of the ideology of the oppression of women because the ideology of socialism itself is the end of all exploitation.

Freedom for women is not permissiveness, yes, of course marriage will no longer be a monetary consideration, or an alliance between two families, but a working partnership of choice. In our ideal society, there will be no opposing cex models. Women (and men too) will be free to receive a good, healthy education both at home and at school ; they will be free to take part in social production and public life ; they will be economically independent ; they will be relieved from invisible labour at home ; they will be rid of the oppressing ideology that ruled them for thousands of years ; and they will atleast be proud of their feminity.

---

Reproduced from the commemoration Volume on George Reddy. Published by Progressive Democratic Students' Union ( PDSU ), Andhra Pradesh.

"Wherever there are land owners, capitalists and merchants, women cannot be the equal of men even before the law."

OKDISCD

# SELECT SAYINGS

"The outcome of to-day's struggle is not important. What is decisive is determination to struggle which is maturing daily, the awareness of the need for revolutionary change and the certainty of its possibility."

□

"যিসকলে সমাজখন পৰিৱৰ্ত্তন কৰিব নিবিচাৰে সেইটো তেওঁলোকৰ ভুল নহয় অপৰাধহে।"

□

"পৃথিৱীখন তোমালোকৰ, আমাৰো কিন্তু চূড়ান্ত বিচাৰত তোমালোকৰেই। ৰাতিপুৱা আঠ নবজাৰ বেলিটোৰ দৰে তোমালোক প্ৰাণপ্ৰাচুৰ্য্যৰে ভৰা পূৰ্ণ বিকশিত যুবক। তোমালোকৰ ওপৰতেই আমাৰ ভৰসা।"

□

"The young people are the most active and vital force in society. They are the most eager to learn and the least conservative in their thinking."

□

"জনগণৰ স্বাৰ্থত যিজনে মৃত্যুবৰণ কৰে তেওঁৰ মৃত্যু 'হিমালয়'তকৈয়ো গধুৰ। কিন্তু যিবোৰে ফেচিষ্টহঁতৰ স্বাৰ্থত কাম কৰে অথবা জনগণৰ শোষণকাৰী আৰু অত্যাচাৰীহঁতৰ স্বাৰ্থৰ হকে মৰে, সিহঁতৰ মৃত্যু চৰাইৰ পাখিতকৈয়ো পাতল।"

□

"In the final analysis, the dividing line between revolutionary intellectuals and nonrevolutionary or counter-revolutionary intellectuals is whether or not they are willing to integrate themselves with the workers and peasants and actually do so."

Get your best cup of tea
FROM
**M/S ASSAM TRADING CO. PVT. LTD.**
Shreenagar
Zoo Road, Gauhati—5
And also visit
**M/S MAASHREE ENTERPRISE**
Chandmari, Gauhati—3

OKDISCD